# অসমৰ মনসা-কবিসকলৰ ৰচনাত মনসা-কথাবৃত্ত এটি অধ্যয়ন

ড° ক্ষীৰোদ কুমাৰ ঠাকুৰীয়া
প্ৰবক্তা, অসমীয়া বিভাগ

মুখপৰম্পৰাত প্ৰচলিত মনসা-কথাবৃত্তক লিখিত ৰূপ দিয়া অসমৰ মনসা-কবিকেইজন হ'ল — মনকৰ, দুৰ্গাবৰ, ষষ্ঠীবৰ আৰু সুকবি নাৰায়ণদেৱ । এওঁলোকে মনসা-মাহাত্ম্যসূচক যি গীত-পদ ৰচনা কৰিছে, সেই গীত-পদখিনি 'পদ্মা-পুৰাণ' বা 'মনসা-পুৰাণ' বা "মনসা-কাব্য' নামে জনাজাত । তদুপৰি দক্ষিণ কামৰূপ আৰু দক্ষিণ গোৱালপাৰাৰ বিশেষকৈ পাতিৰাভাসকলৰ মাজত মুখপৰম্পৰাত প্ৰচলিত আৰু প্ৰাণেশ্বৰ ৰাভাৰ দ্বাৰা সংগৃহীত আৰু সম্পাদিত 'মায়াৱন্তী বিষহৰি' এখন উল্লেখযোগ্য মনসাৰ মাহাত্ম্য-বিষয়ক মনসা-গ্ৰন্থ । মনসা-কবিসকলৰ ভিতৰত সুকবি নাৰায়ণদেৱ নিঃসন্দেহে শ্ৰেষ্ঠ । তেওঁৰ 'পদ্মা-পুৰাণ' বা 'মনসা-পুৰাণ' বা 'সুকনানি' বা "সুকনান্নী' এখন স্বয়ং-সম্পূৰ্ণ আৰু সুবৃহৎ গ্ৰন্থ । আমাৰ এই অধ্যয়নত আন মনসা-কবিসকলৰ মনসা-কথাবৃত্তৰ লগত নাৰায়ণদেৱৰ মনসা-কথাবৃত্তৰ বৈসাদৃশ্য সম্পৰ্কত এটি আলোচনা দাঙি ধৰিবলৈ যত্ন কৰা হৈছে । এই অধ্যয়নৰ বাবে দৈৱচন্দ্ৰ তালুকদাৰ সম্পাদিত 'সুকনানীঃ পদ্মাৱতী' (১৯৬৪), ড° বিৰিঞ্চি কুমাৰ বৰুৱা আৰু ড° সত্যেন্দ্ৰনাথ শৰ্মা সম্পাদিত 'মনসা কাব্য' (১৯৮৭), প্ৰাণেশ্বৰ ৰাভাৰ দ্বাৰা সংগৃহীত আৰু সম্পাদিত 'মায়াৱন্তী বিষহৰি' (১৯৮৭) আৰু ড° নবীন চন্দ্ৰ শৰ্মা সম্পাদিত 'পদ্মা পুৰাণঃ ভাটিয়ালী খণ্ড'— এই গ্ৰন্থকেইখন লোৱা হৈছে ।

প্ৰথমতে আমি মনকৰৰ মনসা-কথাবৃত্তৰ লগত নাৰায়ণদেৱৰ মনসা-কথাবৃত্তৰ অমিল সম্পৰ্কত আলোচনা কৰিবলৈ লৈছো । পদ্মাৰ জন্ম সম্পৰ্কীয় কাহিনীভাগ দুয়োজন কবিৰ ৰচনাত বেলেগ বেলেগ হৈছে । নাৰায়ণদেৱৰ মতে, কালিদহত স্নান কৰিবলৈ যোৱা শিৱৰ 'ঘোৰা শ্ৰীফল' দেখি পাৰ্বতীৰ স্তনলৈ মনত পৰে আৰু তৎমুহূৰ্ত্তত শিৱৰ বীৰ্যপাত হয় । উক্ত বীৰ্য পদ্ম-পত্ৰত স্থাপন কৰাত, পদ্ম-নলাৰে বীৰ্যখিনি পাতালপুৰত প্ৰৱেশ কৰে আৰু তাতে অনন্ত-বাসুকী নাগৰ নিৰ্দেশত 'নিৰ্মাণি' দেৱীয়ে শিৱৰ সাদৃশ্যত মনসা-দেৱীক সৃষ্টি কৰে । ইয়াৰ বিপৰীতে পুষ্পবনৰ প্ৰাকৃতিক শোভা-সৌন্দৰ্য বিশেষকৈ সৰোবৰৰ হংস-হংসিনীৰ কামক্ৰীড়াই মনকৰৰ শিৱক কামপীড়িত কৰাত শিৱৰ বীৰ্যপাত হয় আৰু উক্ত বীৰ্যখিনি সৰোবৰৰ পদ্ম-পত্ৰত স্থাপন কৰা হয় । বীৰ্যখিনি পদ্ম-নলাৰে গৈ পাতালপুৰ পায় আৰু তাতেই পদ্মাৰ জন্ম হয় । গতিকে দেখা যায় যে পদ্মাৰ জন্ম সম্পৰ্কত বাসুকি, অনন্তনাগ আৰু নিৰ্মাণি দেৱীৰ ভূমিকা মনকৰৰ ৰচনাত নাই । তদুপৰি ৰূপ-যৌৱন সম্পন্না পদ্মাক দেখি মনকৰৰ শিৱই শ্লীলতাৰ সীমা অতিক্ৰম কৰিছে । এই প্ৰসংগত নাৰায়ণদেৱৰ শিৱই শ্লীলতাৰ সীমা অতিক্ৰম কৰা নাই । (নবীন চন্দ্ৰ শৰ্মা (সম্পা.) পদ্মা-পুৰাণ ঃ ভাটীয়ালী খণ্ড, পৃঃ ৩৭৭-৭৮) মনসাক মক্ষিকা ৰূপেৰে কৰণ্ডীত ভৰাই নিয়াৰ বিৱৰণ দুয়োজন কবিয়ে দাঙি ধৰিছে যদিও মনকৰৰ দুৰ্গাৰ নিচিনাকৈ নাৰায়ণদেৱৰ দুৰ্গাই শিৱৰ খৰমত উঠি আঁৰি থোৱা কৰণ্ডী পৰীক্ষা কৰা নাই (মনসা-কাব্য, পৃঃ-৮২)

নাৰায়ণদেৱৰ 'সৃষ্টিতত্ত্ব'ৰ বিৱৰণ অতি ব্যাপক । ইয়াৰ বিপৰীতে মনকৰৰ সৃষ্টিতত্ত্বৰ বিৱৰণ তেনেই সংক্ষিপ্ত । বিষয়বস্তুৰ ফালৰ পৰাও নাৰায়ণদেৱতকৈ মনকৰৰ সৃষ্টিতত্ত্বৰ বিৱৰণ বহুখিনি বেলেগ । শূন্য-পুৰাণকে আদি কৰি ধৰ্ম সাহিত্যৰ সৃষ্টিতত্ত্বৰ লগতহে মনকৰৰ সৃষ্টিতত্ত্বৰ মিল দেখা যায় । মনকৰৰ ৰচনাত 'দিতি-অদিতি-কদ্ৰু-বিনতা' সম্পৰ্কীয় দিঘলীয়া কাহিনীভাগৰ বৰ্ণনা নাই । তদুপৰি সমুদ্ৰ-মন্থন, দক্ষ যজ্ঞ-ইত্যাদি বৰ্ণনাও মনকৰৰ ৰচনাত পোৱা নাযায় । পদ্মা-পূজা আৰু পূজাৰ সামগ্ৰী, হৰ-পাৰ্বতীৰ বিবাহ আদিৰ বৰ্ণনাৰ প্ৰসংগতো দুয়োজন কবিৰ অমিল পৰিলক্ষিত হৈছে । নৈদানিক বৃত্তান্তমূলক অনেক কাহিনী নাৰায়ণদেৱৰ ৰচনাত পোৱা যায় । কিন্তু মনকৰৰ ৰচনাত এনেধৰণৰ কাহিনী মাত্ৰ এটাহে (বাঘৰ জন্ম সম্পৰ্কীয়) পোৱা যায় (নবীন চন্দ্ৰ শৰ্মা (সম্পা.) পদ্মা-পুৰাণঃ ভাটিমালী খণ্ড, পৃঃ ৩৭৮) ।

দুৰ্গাবৰৰ কাব্যত উল্লেখ পোৱা মতে সোনেকাই গংগাদেৱীক পূজা কৰি ছয়পুত্ৰ লাভ কৰে । ইয়াৰ বিপৰীতে নাৰায়ণদেৱৰ কাব্যত মহাদেৱৰ কৃপাতহে সোনেকাই ছয়পুত্ৰ লাভ কৰে । উক্ত ছয়পত্ৰ আৰু পুত্ৰবধুসকলৰ নাম সম্পৰ্কতো দুৰ্গাবৰ আৰু নাৰায়ণদেৱৰ মাজত বৈপৰীত্য স্পষ্ট । তলত দুৰ্গাবৰ, আৰু নাৰায়ণদেৱৰ ৰচনাত প্ৰকাশ পোৱা চান্দোৰ পুত্ৰ আৰু বোৱাৰীসকলৰ নামৰ তালিকা এখন দাঙি ধৰা হ'ল ঃ

| দুৰ্গাবৰ | | নাৰায়ণদেৱ | |
|---|---|---|---|
| পুত্ৰ | বোৱাৰী | পুত্ৰ | বোৱাৰী |
| নীলপাণি | সুৰক্ষা | শ্ৰীধৰ | সীতা |

| | | | |
|---|---|---|---|
| শূলপাণি | তিলোত্তমা | শ্ৰীকৰ | তাৰা |
| গয়াপাণি | সত্যৱতী | গুণাকৰ | মন্দোদৰী |
| চক্ৰপাণি | ধনমালা | দেৱেশ্বৰ | জয়া |
| হলধৰ | হৃদয়া | শশীধৰ | বিজয়া |
| সূৰজাই | জয়ন্তাই | দুৰ্গাধৰ | মহামায়া |

নাৰায়ণদেৱৰ মতে চণ্ডীয়ে মনসা-চান্দোৰ মাজত শত্ৰুতা ভাৱৰ সৃষ্টি কৰাইছিল । আনকি মনসাৰ লগত বাদ কৰিবৰ বাবে চণ্ডীয়ে চান্দোক হেমতাল প্ৰদান কৰিছিল ঃ

'পুনৰপি বোলে সাধু চণ্ডীৰ গোচৰ ।
বাদ কৰি পদ্মা সমে খাওঁ কোন পুৰ ।।
চান্দোৰ বচনে চণ্ডী বুলিলা হাসিয়া ।
হেমতাল আনি দিলা বাদক লাগিয়া ।।

(সুকনানী ঃ পদ্মাৱতী, পৃঃ২০৫)

দুৰ্গাবৰৰ ৰচনাত মনসাৰ প্ৰতি চান্দোৱে কিয় বেয়া ভাৱ পোষণ কৰিছিল, তাৰ ইংগিত পোৱা নাযায় । দুৰ্গাবৰৰ মতে চান্দোই বণিজলৈ যাত্ৰা কৰাৰ ঠিক পাছতে চান্দো পত্নী সোনেকাই ঘট পাতি মনসা-পূজা কৰে । এনে সময়তে বিচনী-কটাৰী নিবলৈ পঠোৱা ধনাই ভণ্ডাৰীয়ে সোনেকাই ঘট পাতি কিবা দেৱতাক পূজা কৰাৰ কথা চান্দোক গৈ জনায় । তৎমুহূৰ্ততে চান্দোৰ খং উঠে আৰু ঘৰলৈ উভতি গৈ 'মনসা-ঘট' ভাঙি পেলায় ঃ

'বাহুৰিয়া গৈয়া চান্দো চম্পাৱলী পুৰী ।
পূজা ঘণ্ট পেলাইলেক চৰণে প্ৰহাৰি ।।
ধূপ দীপ নৈবেদ্য মৰ্দিলা দুই পায়ে ।
সোনেকাক সম্বুধিয়া বোলে ক্ৰোধ ভাৱে ।।
* * * * * *
হেনেতো এদুৰ তঞি কৰ মন্দ ধৰ্ম ।
কাণীক পূজিলে তোৰ হৈব কোন কৰ্ম '।।

(মনসা-কাব্য, পৃঃ ৯৮-৯৯)

অহংকাৰী চান্দোৰ ব্যৱহাৰত মনসাৰ খং উঠে আৰু চান্দোৰ ওপৰত নিৰ্মম প্ৰতিশোধ ল'বলৈ দৃঢ় প্ৰতিজ্ঞা কৰে । ইয়াৰ বিপৰীতে প্ৰথমবাৰ বণিজৰ পৰা উভতি আহি চণ্ডীৰ দ্বাৰা প্ৰৰোচিত হৈহে নাৰায়ণদেৱৰ চান্দোই 'মনসা-ঘট' ভাঙে আৰু মনসাক অপমান কৰে।

দুৰ্গাবৰৰ মতে চান্দোই বাণিজ্যৰ বাবে বাৰ ডিঙা নিৰ্মাণ কৰাইছিলঃ

'বাৰখান বুহিত বিশেষ বিৰচিল ।
কুন্দুক সমস্তে কাম কুটনি কৰিল ।।'

(মনসা-কাব্য, পৃঃ ৯৩)

নাৰায়ণদেৱৰ ৰচনাত প্ৰকাশ পোৱা মতে চান্দোই বাণিজ্যৰ বাবে চৈধ্য ডিঙা (মধুকৰ, শঙ্খচুৰ, ৰত্নপাট, দুৰ্গবৰ, খৰমান, দীঘল-পাথল, উদয় তৰা, মাণিক মোহৰা, লক্ষীপাত, উদয়গিৰি, মকৰা, কাজলমুখী, হুৰামৰা, যাত্ৰাসিদ্ধি) নিৰ্মাণ কৰাইছিল । 'বাণিজ্যৰ পণ্য' সম্পৰ্কতো নাৰায়ণদেৱ আৰু দুৰ্গাবৰৰ মাজত পাৰ্থক্য দেখা যায়। নাৰায়ণদেৱৰ কাব্যত উল্লেখিত বাণিজ্য পণ্যবোৰ হ'ল ঃ গাৰোৰ ছাগল, সিদল-সুকটি, গুৱা-পাণ, নাৰিকল, কামসেন্দুৰ, হালধিৰ গুৰি, শ্ৰীফল, মাটিমাহ, কলামাহ, আদা, কল, ঘৃত, তৈল, তিল, তুলি, ভুনি, মাটিৰ বাচন, পাটৰ শাৰী আদি । ইয়াৰ বিপৰীতে চান্দোৰ 'বাণিজ্য দ্ৰব্য'ৰ বিৱৰণ দুৰ্গাবৰে এনেদৰে দিছে ঃ

'গুৱা নাৰিকল সাজে আমলা কৈলাশ।
হিঙ্গুল হৰিদ্ৰা হৈলা হাইঠালৰ চাল ।।
লাহা লোহা লৈলা আৰু সোণ কাঞ্চি ফল ।
বুহিতে বিপুল সাজে ভৰাইলা সকল ।।
মৰিচ পিপল্লী আদা শুঠি জিৰা জাই ।
শুকুতা সৰিষ শ্বেত এ পাটিত নায় ।।
জিৰা জাতিফল লৈলা সুন্দি আচাৰ ।
কতো নাঅ ভৰি লৈলা ধনিয়া ধুনাৰ ।।'

(মনসা-কাব্য, পৃঃ ৯৪)

'ধন্বন্তৰি বধ' সম্পৰ্কতো বৈপৰীত্য স্পষ্ট । দুৰ্গাবৰে ধন্বন্তৰিৰ মৃত্যু বহুপাছত দেখুৱাইছে । অৰ্থাৎ চান্দোৰ ছয়পুত্ৰ আৰু লখিন্দৰৰ মৃত্যুৰ পাছতহে ধন্বন্তৰিৰ মৃত্যু কাহিনী সংক্ষিপ্তভাৱে বৰ্ণনা কৰিছে । তদুপৰি মনসাই নিজে কালসৰ্পৰূপে ধন্বন্তৰিক বধ কৰিছে । নাৰায়দেৱে চান্দোৰ ছয়পুত্ৰৰ মৃত্যুৰ আগতেই শিৱৰ পৰা 'উদয়কাল' নাগ আনি মনসাই ওজাক বধ কৰোৱা কথা বহলকৈ বৰ্ণনা কৰিছে। দুৰ্গাবৰে বেউলাৰ পিতৃৰ নাম 'বাচো' বুলি উল্লেখ কৰাৰ বিপৰীতে নাৰায়ণদেৱে 'সাহে ৰজা' বুলিহে উল্লেখ কৰিছে । তেনেদৰে বেউলাৰ ভাতৃৰ সংখ্যা সম্পৰ্কতো দুয়োজন কবিৰ বৰ্ণনাত বৈসাদৃশ্য পৰিলক্ষিত হৈছে । দুৰ্গাবৰৰ মতে বেউলাৰ ভায়েক ওঠৰ জন ঃ

'অষ্টাদশ ভাই মধ্যে একেলা বহিনী ।
দেৱৰ দুৰ্ল্লভ কৰি তুলিলা জননী।।'

(মনসা-কাব্য, পৃঃ১২১)

নাৰায়ণদেৱৰ মতে সাহে ৰজাৰ পুত্ৰ সাতজন (সুকনানীঃ পদ্মাৱতী, পৃঃ ৬৬৪)। তদুপৰি দুৰ্গাবৰে বেউলাৰ জ্যেষ্ঠভাতৃ শংখধৰ বুলি উল্লেখ কৰাৰ বিপৰীতে নাৰায়ণদেৱ ' নাৰায়ণসাধু' বুলিহে উল্লেখ কৰিছে । চান্দোৰ ডিঙাৰ জলনিমজ্জন প্ৰসংগতো বৈপৰীত্য আছে । নাৰায়ণদেৱৰ পদ্মাই 'মাছ-কেকোৰা-জোক-কুম্ভীৰ' — এই চাৰি বীৰৰ দ্বাৰা প্ৰথমতে চান্দোৰ ডিঙা বন্দী কৰে আৰু পাছত শিৱৰ পৰা অনুমতি লাভ কৰি 'ইন্দ্ৰ-গংগা-হনুমান-ভীম' আদিৰ সহায়ত চান্দোৰ চৈধ্য ডিঙা জলনিমজ্জন কৰে । আনহাতে দুৰ্গাবৰে চান্দোৰ ডিঙা ডুবোৱাৰ প্ৰসংগত এনেদৰে বৰ্ণনা কৰিছে ঃ

'বায়ু বিপৰীত বহে বিক্ষেপন ধূলা ।
মুষলে বৰিষে ধাবে পৰে বজ্রশিলা ।।
নিধালে পৰিল চান্দো বুদ্ধি ভৈল হত ।
বৃষ্টিৰ বিপুল জল ভৰিলা না-অত ।।
এ জল কুমৰে নাও আস্ফাল কৰিয়া ।
দেওদি ডুবাইলা নাও কৰিঙ্গে চাড়িয়া ।।'

(মনসা-কাব্য, পৃঃ ১০২)

দুৰ্গাবৰৰ মতে বেউলা-লখিন্দৰে মেৰঘৰত একত্রে শয়ন কৰাৰ সময়ত ওজা ধন্বন্তৰিয়ে মেৰঘৰৰ দুৱাৰত ৰখীয়া হিচাপে আছিল ঃ

'মেড়েৰ ভিতৰে লগাইলেক ৰত্ন বাতি ।
স্বামী সঙ্গে বসি আছে বেহুলাই সতী ।।
দ্বাৰত আচয় ৰক্ষা ওঝা ধন্বন্তৰি ।
শিথানে পয়থানে আছে নেউলি ময়ুৰি ।।'

(মনসা-কাব্য, পৃঃ১০৮-১০৯)

নাৰায়ণদেৱৰ ৰচনাত ওজা ধন্বন্তৰিয়ে মেৰঘৰৰ দুৱাৰৰ সন্মুখত ৰখীয়া হিচাপে থকাৰ কথা উল্লেখ নাই । দুৰ্গাবৰে ওজগৰক পদ্মাৰ স্বামীৰূপে বৰ্ণনা কৰিছে আৰু উক্ত ওজগৰে পদ্মাৰ অনুৰোধত লখিন্দৰক দংশন কৰে ।(মনসা-কাব্য, পৃঃ ১০৯)।নাৰায়ণদেৱৰ বৰ্ণনা অনুসৰি লখিন্দৰৰ চৰণৰ আঘাত কালিনাগৰ মূৰত লগা বাবে কালিনাগ ক্রোধান্বিত হয় আৰু দেৱতাসকলক সাক্ষী কৰি লখিন্দৰৰ কেঞা আঙুলিত দংশন কৰে ঃ

'কালীৰ মাথাত বাজে লখাইৰ চৰণ ।।
বেদনা পাইয়া কালী কহিলা তখন ।
আপোনাৰ দোষে বালাৰ হইবো মৰণ ।।
প্ৰথম লাথি কালী খেমিলাহা আগে ।
পুনৰ্ব্বাৰ দিলা লাথি হইয়া নিদ্রা ভাগে ।।
সাক্ষী কৰে কালী নাগে যত দেবগণ ।
ব্ৰহ্মা বিষ্ণু হৈবা সাক্ষী কুবেৰ বৰুণ ।।
অষ্টবসু হৈবা সাক্ষী যত দিকপাল ।
চন্দ্ৰ সূৰ্য্য হৈবা সাক্ষী কাল যে বিকাল ।।
★ ★ ★ ★ ★ ★
★ ★ ★ ★ ★ ★
পদ্মাক আৰাধি কালী মনে কৰি সাৰ ।
লখাইৰ কিনা আঙুলিত মাৰিলা কামোৰ ।।

(সুকনানী : পদ্মাৱতী, পৃঃ ৬১৮-৬১৯)

নাৰায়ণদেৱে অজগৰক স্বামীৰূপে বৰ্ণনা কৰা নাই আৰু লখিন্দৰক দংশন কৰা সম্পৰ্কত অজগৰৰ প্ৰসংগও অৱতাৰণা কৰা নাই । তদুপৰি দুৰ্গাবৰৰ বেউলাই মনসাৰ স্বামী অজগৰক সঁফুৰাৰ ভিতৰত বন্দী কৰি ৰখাৰ বিপৰীতে নাৰায়ণদেৱৰ বেউলাই কালিনাগৰ নেজডালহে সঁফুৰাৰ ভিতৰত ভৰাই ৰাখিছিল। কাব্যখনৰ কাহিনীৰ শেষৰফালে দুৰ্গাবৰৰ বেউলাই স্বামীক জীয়াব নোৱাৰি চিতাত উঠি মৰিবলৈ ওলোৱাৰ আগ মুহূৰ্তত সৰ্প অজগৰক কাটি 'নেউলী-ময়ুৰী'ক খুৱাবলৈ উদ্যত হোৱাত, পদ্মাৰ অন্তৰ কঁপিবলৈ ধৰা আৰু উপায়ন্ত হৈ পদ্মাই লখিন্দৰক জীয়াই দিবলৈ প্ৰতিশ্ৰুতি দিয়া — ইত্যাদি বৰ্ণনা নাৰায়দেৱৰ কাব্যত নাই ।

ষষ্ঠীবৰৰ 'মনসা-কাব্য'ত বেউলা-লখিন্দৰৰ কাহিনীয়ে বিশেষভাৱে প্ৰাধান্য লাভ কৰিছে । ষষ্ঠীবৰে বেউলাৰ মাতৃৰ নাম কমলা বুলি উল্লেখ কৰাৰ বিপৰীতে নাৰায়ণদেৱে সুমিত্ৰা বুলিহে উল্লেখ কৰিছে ।'মায়া ৰন্তী-বিষহৰি'ৰ অন্তৰ্গত অনাদি গোহাঁয়ে নিজৰ নিশ্বাসৰ পৰা 'মনসা' নামে এগৰাকী নাৰীৰ সৃষ্টি কৰি ব্ৰহ্মা-বিষ্ণু-মহেশ্বৰৰ সন্মতি লৈ বিয়া কৰোৱা; মনসাই জন্ম দিয়া পক্ষী-পক্ষীয়ানী হালৰ পৰা চন্দ্ৰ-সূৰ্য-পৃথিৱী আদিৰ সৃষ্টি হোৱা, অনাদি গোহাঁয়ে দেহত্যাগ কৰি ফেঁচাৰ ৰূপ ধৰা, মনসাই চিতাত জাপ দি আত্মবিসৰ্জন দিয়া আৰু চিতাৰ ছাইৰ পৰা এটি কন্যাৰ সৃষ্টি হোৱা, গংগাদেৱীৰ পুত্ৰ ডাকুৰ আৰু নন্দৰ মায়া নৌকা সৃষ্টি, শিৱৰ দ্বাৰা কাৱলীয়াৰ ভেশ ধাৰণ, শিৱৰ গৃহত্যাগ, থানেশ্বৰী গোসাঁনীৰ লগত শিৱৰ ভেটাভেটি ইত্যাদি ঘটনা নাৰায়ণদেৱৰ ৰচনাত পোৱা নাযায় । বেউলাৰ পিতৃ-মাতৃৰ নাম সম্পৰ্কত 'মায়াৰন্তী বিষহৰি' আৰু নাৰায়ণদেৱৰ মাজত বৈপৰীত্য স্পষ্ট । মায়াৰন্তী-বিষহৰিৰ মতে বেউলাৰ পিতৃৰ নাম 'বাচু' বা 'বাচুবানিয়া' আৰু মাতৃৰ নাম 'মেনকা'। ইয়াৰ বিপৰীতে নাৰায়ণদেৱে বেউলাৰ পিতৃৰ নাম 'সাহে ৰজা' আৰু মাতৃৰ নাম 'সোনেকা' বা 'সোনাই' বুলি উল্লেখ কৰিছে । মায়াৰন্তী বিষহৰি মতে চান্দোৱে বাণিজ্যৰ বাবে 'বাৰ ডিঙা' নিৰ্মাণ কৰিছিল আৰু এবাৰৰ বণিজলৈ গৈছিল। ইয়াৰ বিপৰীতে নাৰায়ণদেৱৰ চান্দোৱে বাণিজ্যৰ বাবে চৈধ্য ডিঙা নিৰ্মাণ কৰিছিল আৰু দুবাৰ বণিজলৈ গৈছিল । 'মায়াৰন্তী-বিষহৰি'ত চান্দোৱে বৰমানীদেৱীক পূজা কৰা আৰু পদ্মাস্বামী অজগৰক বেউলাই মুক্তি দিয়াতে কাহিনীভাগৰ সামৰণি পৰিছে। কিন্তু নাৰায়ণদেৱৰ কাব্যত কাহিনীভাগ এইখিনিতে শেষ নহে চান্দোৰ দ্বাৰা বেউলাৰ সতীত্ব পৰীক্ষা, স্বামী লখিন্দৰসহ বেউলাৰ স্বৰ্গযাত্ৰা আৰু স্বৰ্গযাত্ৰাৰ পথত ছদ্মবেশ ধাৰণ কৰি বেউলা-লখিন্দৰৰ শাহে ৰজাৰ গৃহত প্ৰৱেশ, বেউলা-লখিন্দৰৰ শাপ মোচন আৰু স্বৰ্গ লাভলৈকে কাহিনীভাগ আগ বাঢ়িছে ।

❑❑

# এৰিষ্টটলৰ সাহিত্য-সমালোচনা

ললিত চন্দ্ৰ ৰাভা
প্ৰবক্তা, অসমীয়া বিভাগ

গ্ৰীক দাৰ্শনিক প্লেটোৰ শিষ্য এৰিষ্টটল ইউৰোপীয় সমালোচনা সাহিত্যৰ জনক ৰূপে অভিহিত । তেওঁ বৈজ্ঞানিক দৃষ্টিৰে বিচাৰ-বিশ্লেষণ কৰি শিল্প-তত্ত্বৰ যি স্বৰূপ নিৰ্ণয় কৰিছিল, সেই আদৰ্শ বহু শতাব্দী জুৰি ইউৰোপত একমাত্ৰ সাহিত্য সমালোচনাৰ আদৰ্শৰূপে গৃহীত হৈছিল ।এৰিষ্টটল আছিল এজন বৈজ্ঞানিক । তেওঁৰ আছিল এক বিশ্বজনীন বুদ্ধিমত্তা —"He was merely a man of not only remarkable but universal intelligence and universal inteligence means that he could apply his inteligence to anything." (T.S.Eliot) এৰিষ্টটলে তেওঁৰ বিচাৰ, বুদ্ধি আৰু প্ৰতিভাক প্ৰতিটো বিষয়ৰ ওপৰতেই সমভাৱে প্ৰয়োগ কৰাৰ ক্ষমতা ৰাখিছিল । ফলত তেওঁৰ সমালোচনাৰ পৰশত প্ৰতিটো প্ৰকাশ মাধ্যমেই একো একোটা বিশেষ শীৰ্ষবিন্দুত উপনীত হোৱাৰ সুৰুঙা বিচাৰি পাইছিল । তেওঁ কেতিয়াও ব্যক্তিগত আবেগ বা ভাবানুভূতিৰ দ্বাৰা পৰিচালিত হৈ সাহিত্যকৰ্মৰ সমালোচনা আগবঢ়োৱা নাছিল । এজন বৈজ্ঞানিক হিচাপে তেওঁ সাহিত্যকৰ্মৰ যুক্তিনিৰ্ভৰ সমালোচনা আগবঢ়াইছিল। তেওঁ নিৰপেক্ষভাৱে বৈজ্ঞানিকৰ দৃষ্টিৰে গ্ৰীক-সাহিত্যৰ ৰূপ-নীতি, বিষয়-বস্তু আৰু শৈল্পিক সৌন্দৰ্য বিচাৰ কৰিছিল। সেইবাবে তেওঁৰ গুৰু প্লেটোৰ ৰচনাত যি কাব্যিক-সৌন্দৰ্য আৰু শৈল্পিক গুণ প্ৰতিফলিত হৈছে, এৰিষ্টটলৰ নীৰস ৰচনাত তাৰ আভাস পোৱা নাযায় ।

এৰিষ্টটলে 'Poetics' নামৰ গ্ৰন্থত সাহিত্য আৰু শিল্পতত্ত্ব সম্পৰ্কে আলোচনা কৰিছে । তেওঁৰ 'Rhetoric' নামৰ গ্ৰন্থত বাগ্মিতা আৰু অলংকাৰ সম্বন্ধে আলোচনা পোৱা যায় । কিন্তু 'Poetics' নামৰ গ্ৰন্থখনৰ বাবেই তেওঁ বিশ্বব্যাপি খ্যাতি লাভ কৰিছে। তাত তেওঁৰ বিশাল প্ৰতিভা আৰু বুদ্ধিমত্তা প্ৰতিফলিত হৈছে । ৰাজনীতি, তৰ্কবিদ্যা, নীতিবিদ্যা আৰু সাহিত্য সম্পৰ্কে বিস্তৰ জ্ঞান লাভ কৰা এৰিষ্টটলে 'Poetics' অত প্ৰধানতঃ শিল্পৰ শ্ৰেণী আৰু বিষয়বস্তু সম্পৰ্কে আলোচনা কৰিছে । সাহিত্য, সাহিত্যৰ বিষয়বস্তু, সাহিত্যৰ শ্ৰেণীবিভাগ, প্ৰকাশ-ৰীতি, মানৱ মনৰ ওপৰত সাহিত্যৰ প্ৰভাৱ আদি বিষয়ৰ ওপৰত এৰিষ্টটলে ইমান বিস্তৰ আলোচনা কৰিছে যে সেইবোৰৰ মৌলিকতা দেখিলে আজিও বিস্ময় মানিব লাগে ।

ট্ৰেজেদিৰ বৰ্ণনাই 'Poetics'ৰ বহুখিনি ঠাই অধিকাৰ কৰিছে। ট্ৰেজেদিৰ সংজ্ঞা, স্বৰূপ আৰু লক্ষণ সম্পৰ্কে এৰিষ্টটলে ইমান দীঘলীয়া আলোচনা কৰিছে যে এনেকুৱা অনুমান হয় — তেওঁ যেন কেৱল ট্ৰেজেদিৰ আলোচনাৰ বাবেই কলম তুলি লৈছে। তাৰ পাছত তেওঁ ট্ৰেজেদিৰ লগত তুলনা কৰি কমেদি, গীতি কবিতা আৰু মহাকাব্যৰ চমু আলোচনা কৰিছে ।

এৰিষ্টটলে ট্ৰেজেদিৰ সংজ্ঞা এইদৰে দিছে "A Tragedy, then, is the imitation of an action that is serious and also, as having magnitude, complete in itself; in language with pleasurable accessories, each kind brought in separatly in the parts of the work; in a dramatic, not in a narative form, with incidents, arousing pity and fear, wherewith to accomplish its cathersis of such emotions."

এই সংজ্ঞাটি বিশ্লেষণ কৰিলে দেখা যাব যে ট্ৰেজেদি হ'ল একোটা গভীৰ আৰু পূৰ্ণাঙ্গ ঘটনাৰ অনুকৰণ, যাৰ ভাষা শিল্প-গুণ সমৃদ্ধ, যাৰ প্ৰকাশ-ৰীতি বৰ্ণনাত্মক নহয় — নাটকীয় আৰু যাৰ দৰ্শন বা পাঠৰ ফলস্বৰূপে মনৰ মাজত কৰুণা আৰু ভীতিৰ ভাৱ জাগ্ৰত হৈ এই প্ৰবৃত্তিবিলাকৰ পৰিশোধন হয় । এৰিষ্টটলৰ মতে ট্ৰেজেদি হ'ল সৰ্বশ্ৰেষ্ঠ শিল্প । কমেদি ট্ৰেজেদিতকৈ নিম্নস্তৰৰ ৰচনা। ট্ৰেজেদিৰ চৰিত্ৰ বাস্তৱতকৈ উৎকৃষ্ট আৰু মহৎ; কমেদিৰ চৰিত্ৰ বাস্তৱতকৈ নিকৃষ্ট। এৰিষ্টটলৰ মতে ট্ৰেজেদিতে সাহিত্যৰ সমস্ত অঙ্গ আৰু বৈশিষ্ট্য পোৱা যায়; মহাকাব্যতো শ্ৰেষ্ঠ সাহিত্যৰ এই সমস্ত অঙ্গ পোৱা নাযায় । ট্ৰেজেদিৰ কাহিনীৰ লগত মহাকাব্যৰ কাহিনীৰ সাদৃশ্য আছে যদিও দুইটা সাহিত্যৰূপৰ পৰিৱেশন ৰীতিৰ মাজত পাৰ্থক্য আছে । ট্ৰেজেদিৰ কাহিনী নিৰ্মাণত ঐক্যত্ৰয়ৰ (three unities) আশ্ৰয় ল'বলগীয়া হয় । এই ঐক্যত্ৰয় হৈছে কালৰ ঐক্য (unity of time), স্থানৰ ঐক্য (unity of place) আৰু ঘটনাৰ ঐক্য (unity of action) । ট্ৰেজেদিত কোনো ঘটনা সংলাপৰ মাজেদি বৰ্ণিত হয় আৰু মহাকাব্যত কবিতাৰ মাজেদি কাহিনী বৰ্ণিত হয় ।ইয়াৰ ফলস্বৰূপে মহাকাব্যত সৰু সৰু ঘটনা একোটাও বৰ্ণনা কৰা সম্ভৱ; আচৰিত আৰু অদ্ভুত ব্যাপাৰ বিলাকো বৰ্ণনা কৰা হয় । কিন্তু ট্ৰেজেদি মূলতঃ

অভিনয়মূলক হোৱা বাবে সেই সুবিধা নাই । আনহাতে ট্ৰেজেদিত কেতবোৰ সুবিধাও আছে। যেনে— ট্ৰেজেদিত সঙ্গীত আৰু দৃশ্যসজ্জাৰ সুবিধা আছে, যিটো সুবিধা মহাকাব্যত নাই । এৰিষ্টটলৰ ভাষাত "It (i.e Tragedy) has all that epic has- it can use the metre of epic and a very considerable addition in music and scenic accessories; and it has music which gives the greater vividness to the combinations of pleasurable emotions produced by tragedy." সেই কাৰণে এৰিষ্টটলে ট্ৰেজেদিক সৰ্বশ্ৰেষ্ঠ সাহিত্য হিচাপে আখ্যায়িত কৰিছে ।

Poetics ৰ ১৩ শ আৰু ১৪ শ অনুচ্ছেদত মহাকাব্যৰ বিষয়ে কিছু আলোচনা কৰা হৈছে । এৰিষ্টটলে এখন মহাকাব্যত থাকিবলগীয়া লক্ষণ সমূহ এনেদৰে বৰ্ণনা কৰিছে — "An epic should be based on a single action, one that is a complete whole in itself, with a begining, middle, and end, so as to enable the work to produce its own proper pleasure with all the organic unity of a living creature ....... As for its metre, the heroic has been assigned to it from experience." এই সংজ্ঞাটোৰ মতে মহাকাব্য মূলতঃ বৰ্ণনাত্মক, ইয়াৰ কাহিনী ৰচিত হয় এটা স্বয়ং সম্পূৰ্ণ কাহিনীক ভিত্তি কৰি; যাৰ আদি, মধ্য আৰু অন্ত আছে; তাত অনুভূত হ'ব লাগে এক অখণ্ড জৈৱিক চেতনা আৰু এক বিশিষ্ট ধৰণৰ আনন্দ । ইয়াৰ ছন্দ হ'ব লাগে গুৰুগম্ভীৰ আৰু ইয়াৰ মূল কাহিনীৰ লতাডালত ওলমি থাকে বহুতো উপকাহিনী। বিষয়বস্তুৰ বস্তুনিষ্ঠতা আৰু অসম্ভাব্য অথচ বিশ্বাসযোগ্য ঘটনাৰ কাব্যময় ৰূপায়ণ মহাকাব্যৰ অন্যতম বৈশিষ্ট্য । চমুকৈ ক'বলৈ গ'লে "মহাকাব্য হৈছে বিৰাট পৰিসৰৰ উৎকৃষ্ট ঘটনাবিন্যাসৰ সৰ্বোৎকৃষ্ট গুণবাহক তথা মহত্বব্যঞ্জক বস্তুনিষ্ঠ কাব্য।"

এৰিষ্টটলৰ সাহিত্য তত্ত্বৰ ব্যাখ্যাত মূলতঃ তিনিটা তত্ত্বই প্ৰাধান্য পাইছে, যি কেইটা বিশেষভাৱে মৌলিক বুলি সৰ্বযুগত স্বীকৃতি পাই আহিছে । সেই তত্ত্ব তিনিটা হৈছে —

(ক) বিভিন্ন শিল্পৰ পাৰস্পৰিক সংযোগ

(খ) মাইমেছিছ (Mimesis)

(গ) কেথাৰছিছ (Kathersis)

### (ক) বিভিন্ন শিল্পৰ পাৰস্পৰিক সংযোগ ঃ

এৰিষ্টটলৰ মতে মহাকাব্য, ট্ৰেজেদি, কমেদি, গীতিকবিতা, বাঁহীৰ সুৰ আৰু বীণাৰ ঝংকাৰ — এই সকলোবোৰ অনুকৃতি বা সৃষ্টি আৰু এইবোৰৰ মাজত যোগাযোগ আছে । পাৰ্থক্য আছে মাত্ৰ ৰচনাৰ মাধ্যম (Medium), বিষয়বস্তু আৰু ৰচনাশৈলীত । এই তিনিটা বৈশিষ্ট্যই এটি শিল্পক অন্য এটি শিল্পৰ পৰা পৃথক কৰি তোলে । ইয়াত এৰিষ্টটলে প্লেটোৰ তত্ত্বক অতিক্ৰম কৰি সমগ্ৰ শিল্পকৰ্মৰ মাজত যোগাযোগ স্থাপন কৰিব খুজিছে । প্লেটোৱে চিত্ৰবিদ্যাৰ আধাৰত সাহিত্যক পৃথক কৰিছিল । এৰিষ্টটলে কিন্তু এই পথ পৰিত্যাগ কৰি শিল্পবস্তুৰ প্ৰকাশভঙ্গীৰ পাৰ্থক্য স্বত্ত্বেও আভ্যন্তৰীণ ঐক্য আৱিস্কাৰ কৰিছিল ।

### (খ) মাইমেছিছ (Mimesis) ঃ

এৰিষ্টটলৰ মতে ট্ৰেজেদি এটা স্বয়ং সম্পূৰ্ণ ঘটনাৰ অনুকৰণ (tragedy is, then, an imitation of an action, that is serious, complete in itself.) তেওঁৰ মতে কমেদিও নিম্নস্তৰৰ চৰিত্ৰৰ অনুকৰণ । (An imitation of characters of a lower type) এৰিষ্টটলৰ মাইমেছিছ যে বাস্তৱৰ হুবহু অনুকৰণ নহয়, তাৰ প্ৰমাণ Poetics অ'ত অলপ গভীৰভাৱে মনোনিবেশ কৰিলে গম পোৱা যায় । তেওঁৰ মতে ট্ৰেজেদিত বাস্তৱ মানুহতকৈ উৎকৃষ্ট চৰিত্ৰ অংকিত হয় আৰু কমেদিত অংকিত হয় নিকৃষ্ট চৰিত্ৰ । বাস্তৱতকৈ উৎকৃষ্ট আৰু নিকৃষ্ট হ'লে তাক বাস্তৱৰ অবিকল অনুকৰণ বোলা নাযায় । সি বাস্তৱ জগতখনক অতিক্ৰম কৰে । Poetics ৰ অন্য এক স্থানত এৰিষ্টটলে কবিৰ স্বৰূপ সম্বন্ধে কৈছে, "The poet being an imitator like a painter or any other artist imitate one of three object – things as they were or are thought to be, or things they ought to be." কবিয়ে অন্যান্য শিল্পীৰ দৰে বস্তু জগতক হুবহু অনুকৰণ নকৰে; বৰঞ্চ ক'ব পাৰি, সেয়া শৈল্পিক অনুকৰণ –"Imitations distingushes what we call creative litrature from literature which is dedicated ..... Imitation, for the Poets, is the objective representation of life in literature – what in our languge we might call the imaginative reconstruction of life."

এৰিষ্টটলে সাহিত্যক সঙ্গীত আৰু নৃত্যৰ লগত তুলনা কৰিছে। প্লেটোৰ নিচিনাকৈ চিত্ৰবিদ্যাৰ লগত তুলনা কৰি চোৱা নাই । প্লেটোৰ মতে চিত্ৰকৰে যেনেকৈ বাস্তৱৰ যথাযথ অনুকৰণ কৰে, তেনেকৈ কবিয়েও বাস্তৱ জগতখনক হুবহু অনুকৰণ কৰে । কিন্তু এৰিষ্টটলৰ মতে সাহিত্যক সঙ্গীত আৰু নৃত্যৰ লগতহে তুলনা কৰিব পাৰি। গীত বাস্তৱৰ হুবহু নকল নহয়, নৃত্যইও সেইদৰে তাল, ছন্দ, মুদ্ৰা, ভঙ্গিমা আদিৰে বাস্তৱক হুবহু অনুকৰণ নকৰে । বাস্তৱাতিৰিক্ত আবেগ আৰু সৌন্দৰ্যহে সেইবোৰত প্ৰকাশ পায় । সেইদৰে সাহিত্যইও বাস্তৱৰ হুবহু অনুকৰণ নকৰে; ইয়ে সঙ্গীত আৰু নৃত্যৰ নিচিনাকৈ বাস্তৱাতিৰিক্ত

সৌন্দৰ্যৰহে সৃষ্টি কৰে ।এই বাস্তৱাতিৰিক্ত সৌন্দৰ্যখিনিৰ বাবেই মানুহে সাহিত্য পাঠ কৰে ।

## (গ) কেথাৰছিছ (Kathersis)

এৰিষ্টটলে ট্ৰেজেদিৰ ফলশ্ৰুতি বৰ্ণনা কৰোঁতে কেথাৰছিছ শব্দৰ প্ৰয়োগ কৰিছে । কেথাৰছিছ শব্দটো তেওঁ চিকিৎসা শাস্ত্ৰৰ পৰা গ্ৰহণ কৰিছে । কেথাৰছিছৰ ইংৰাজী প্ৰতিশব্দ হৈছে purgation, যি চিকিৎসা শাস্ত্ৰত চিকিৎসা প্ৰকৰণ হিচাপে ব্যৱহাৰ হয় । প্লেটোৱে কৈছিল যে সাহিত্য আৰু শিল্পই মানুহক দূষিত কৰে ।এৰিষ্টটলে তাৰেই প্ৰতিবাদ স্বৰূপে কেথাৰছিছ শব্দটোৰ ব্যৱহাৰ কৰি দেখুৱাব খুজিছিল যে সাহিত্যই মানুহক কলুষিত নকৰে, ট্ৰেজেদি দেখিলে আমাৰ চিত্ত মলিনতামুক্ত হয় আৰু ইয়াৰ নামেই কেথাৰছিছ। পুৰণি চিকিৎসা শাস্ত্ৰ মতে মানুহে শাৰীৰিক অসুস্থতাত ভোগে শৰীৰত থকা কোনো এটা বা দুটা ৰসৰ মাত্ৰাধিক্য হোৱা হেতুকে ।অতিমাত্ৰা ৰসখিনি উলিয়াই দি আটাইকেইটা ৰস সম পৰ্যায়ত ৰাখিব পাৰিলে মানুহজন স্বাভাৱিক অৱস্থালৈ ঘূৰি আহে । ঠিক তেনেদৰে মানুহৰ মনৰ মাত্ৰাধিক আবেগ আৰু অনুভূতিখিনি বাহিৰ কৰি দিব পাৰিলে মানুহৰ মন স্বাভাৱিক অৱস্থালৈ ঘূৰি আহে । ট্ৰেজেদি দৰ্শন কৰাৰ পাছত আমাৰ মনত কৰুণা আৰু ভীতিৰ ভাৱ জাগে, যাৰ ফলত আমাৰ কুপ্ৰবৃত্তিসমূহ নিৰ্গত হয় আৰু আমাৰ মনে তেতিয়া সমতা লাভ কৰি সুস্থ হয় ।এই কেথাৰছিছ শব্দটোৰ প্ৰকৃত তাৎপৰ্য সম্পৰ্কে সমালোচকসকলৰ মাজত কিছু মতভেদ আছে । সাম্প্ৰতিক সমালোচকসকলে এই শব্দটিক সাহিত্যৰ ক্ষেত্ৰত দুটা অৰ্থত প্ৰয়োগ কৰিছে ।

(ক) ৰোগ নিৰাময়তা, অৰ্থাৎ আমাৰ মনৰ মাজত যিখিনি আবেগ-অনুভূতি হানিকৰ হৈ উঠে, ট্ৰেজেদিৰ দৰ্শনৰ পাছত সেইবোৰ মনৰ পৰা বাহিৰ হৈ মন প্ৰশান্ত হয় ।

(খ) পৱিত্ৰকৰণ, অৰ্থাৎ কৰুণা আৰু ভীতি, যি আমাৰ মনৰ মাজত স্বাৰ্থৰ আকাৰত দেখা দিয়ে, তাক দূৰ কৰি মনক ক্ষুদ্ৰ স্বাৰ্থৰ ওপৰলৈ তুলি ট্ৰেজেদিয়ে সৌন্দৰ্যৰ মাজত প্ৰতিষ্ঠিত কৰি তোলে। ইয়াৰ প্ৰথমটি নৈতিক তত্ত্বৰ দ্বাৰা আৰু দ্বিতীয়টি সৌন্দৰ্য তত্ত্বৰ দ্বাৰা প্ৰভাৱান্বিত ।

এৰিষ্টটলে সাহিত্য-তত্ত্ব সম্বন্ধে এইদৰে কিছুমান মৌলিক সমস্যাৰ অৱতাৰণা কৰি কিছুমান সিদ্ধান্ত আগবঢ়াইছিল । সেই সমস্যা আৰু তাৰ সমাধান এটি বিশেষ যুগত আৱিষ্কৃত হৈছিল । প্ৰধানকৈ প্ৰাচীন গ্ৰীক সাহিত্যৰ পটভূমিত এৰিষ্টটলে সেই নীতিবোৰ উদ্ভাৱন কৰিছিল ।ইতিমধ্যে পৃথিৱীৰ সাহিত্যৰ বিভিন্ন দিশত বহুতো পৰিৱৰ্তন হোৱা হেতুকে এৰিষ্টটলৰ কিছুমান সিদ্ধান্ত অচল হৈ পৰিছে যদিও কিছুমান সিদ্ধান্ত আজিলৈকে বিশেষ মূল্যবান।

---

★ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ হৈ চন্দ্ৰ প্ৰকাশে প্ৰকাশ কৰা 'প্ৰবন্ধাৱলী' শীৰ্ষক গ্ৰন্থখনত (সম্পাদনা ঃ ড° লীলাৱতী শইকীয়া বৰা) প্ৰকাশিত প্ৰবন্ধটো পুনৰ মুদ্ৰণ কৰা হ'ল ।

# সন্ত্ৰাসবাদ আৰু সাংবাদিক ঃ এটি আলোচনা

লতিকা শৰ্মা
স্নাতক ২য় বৰ্ষ (কলা)

সম্প্ৰতি আমাৰ সকলোৰে এটা ধাৰণা হৈছে যে আমি কিবা এটা পাব লাগিলে আন্দোলন কৰিব লাগিব, — কৰ্মচাৰীৰ দৰমহাই হওঁক, পৰীক্ষাৰ সূচীয়েই হওঁক বা ফলাফলেই হওঁক সকলোতেই মাথোঁ আন্দোলন । কিন্তু কাৰ্যত বেছিভাগৰে ফলাফল শূন্য । মাথোঁ কিছুমান অনাহক চিঞৰ বাখৰ । জন্মৰে পৰা পোৱা এনে অশান্তিৰ বলি হৈছে ছাত্ৰ-ছাত্ৰী, বিভ্ৰান্ত হৈছে যুৱচিন্তা । এক আন্দোলনমুখী অশান্ত পৰিৱেশৰ মাজতে পাবাপাৰ হেৰুৱাইছে আজিৰ আপুৰুগীয়া যুৱশক্তি । সন্ত্ৰাসবাদৰ বিৰুদ্ধে অভিযান চলোৱা পুলিচ, সেনাবাহিনীৰ লোকসকলৰ আইন ভঙ্গ কৰা কাৰ্যক বৈধতা প্ৰদান কৰিবৰ বাবে কেন্দ্ৰীয় গৃহ মন্ত্ৰণালয়ে পদক্ষেপ ল'ব বুলি গৃহমন্ত্ৰী লালকৃষ্ণ আদৱানীয়ে ঘোষণা কৰিছে । স্বেচ্ছাচাৰী শাসকৰ দৰে আদৱানীয়ে ঘোষণা কৰিছে যে সন্ত্ৰাসবাদৰ বিৰুদ্ধে যুঁজা চৰকাৰী সুৰক্ষা বাহিনীৰ লোকসকলক ন্যায়িক প্ৰক্ৰিয়াৰ ওচৰত জবাবদিহি হোৱাৰ পৰা ৰেহাই দিয়া হ'ব । যদিহে আদৱানীয়ে কোৱাৰ দৰে কেন্দ্ৰীয় চৰকাৰে আইন প্ৰবৰ্তন কৰে তেতিয়া চৰকাৰী সন্ত্ৰাস বৈধ বুলি ধৰা হ'ব । চৰকাৰী বাহিনীয়ে আইনৰ পৰা ৰেহাই পাই নিৰ্বিচাৰ উৎপীড়ন, অত্যাচাৰ চলাই যাব । উগ্ৰপন্থী দমনৰ নামত হত্যা, গুপ্তহত্যাৰ জোৱাৰ উঠিব । ইয়াৰ বাবে পুলিচ-মিলিটাৰীক আইনে দোষী কৰিব নোৱাৰিব । জনসাধাৰণে নীৰবে সহি যাব লাগিব । কেন্দ্ৰৰ এই অগণতান্ত্ৰিক ফেচিষ্ট পদক্ষেপৰ বিৰুদ্ধে সকলো গণতান্ত্ৰিক মানুহে তীব্ৰ প্ৰতিবাদ কৰা উচিত । কেন্দ্ৰই যাতে এই কাম কৰিব নোৱাৰে তাৰ বাবে সকলোৱে দৃঢ় পদক্ষেপ ল'ব লাগে ।

যি কোনো সন্ত্ৰাসবাদেই নহওক কিয়, সন্ত্ৰাসবাদ শব্দটো আমাৰ সকলোৰেই অপ্ৰিয় । জীৱ শ্ৰেষ্ঠ মানুহক মানুহেই হত্যা কৰাটো অতি ঘৃণনীয় । সেই হত্যা যি পক্ষই নকৰক লাগে । সন্ত্ৰাসবাদ হত্যা তথা হত্যাৰ ভাবুকিৰ ওপৰত প্ৰতিষ্ঠিত । ই অতি নিৰ্দয় । সন্ত্ৰাসবাদৰ জৰিয়তে সমস্যা সমাধান হোৱাৰ কোনো দৃষ্টান্ত ইতিহাসত নাই । আজিৰ যুগত গণতান্ত্ৰিক সংগ্ৰামেই সমস্যা সমাধানৰ শ্ৰেষ্ঠ পন্থা । গণতান্ত্ৰিক আন্দোলন অৰ্থাৎ গণ সংগ্ৰামতকৈ কাৰ্যকৰী কোনো পন্থা আজিৰ যুগত নাই । অৱশ্যে তেনে সংগ্ৰামেৰে লক্ষ্যত উপনীত হ'বলৈ ধৈৰ্য, সহিষ্ণুতা, সাংগঠনিক দক্ষতা আদিৰ একান্ত প্ৰয়োজন ।

আনহাতে সন্ত্ৰাসবাদ আজিৰ যুগত হৈছে বহুৰূপী । সন্ত্ৰাসবাদ বুলিলেই বহুতেই হয় উদ্দেশ্য প্ৰণোদিত ভাৱে, নহয় অজ্ঞতাৰ কাৰণে মাথোন বাওঁপন্থাৰ নামত চলোৱা সন্ত্ৰাসবাদী কাৰ্য-কলাপলৈ আঙুলিয়াব খোজে । কিন্তু বিংশ শতিকাত সোঁপন্থী সন্ত্ৰাসবাদী সকলেহে এনে অঘটন ঘটাইছে ।

এই সন্ত্ৰাসবাদী আক্ৰমণে সৃষ্টি কৰিছে নানা ধৰণৰ প্ৰতিক্ৰিয়াৰ । এই লেখাৰ সীমিত পৰিসৰৰ ভিতৰত সেইবোৰ উল্লেখ কৰা সহজ নহয় । তথাপিও এই বিষয়ে অলপ ক'বলৈ বিচাৰিছোঁ । সামাজিক শান্তি, অৰ্থনৈতিক প্ৰগতি আৰু যুদ্ধৰ ভয়াবহতাৰ পৰা বিশ্বক ৰক্ষা কৰা আদি দিশৰ পৰা চালে সন্ত্ৰাসবাগ নিৰ্মূল কৰাটো অতি জৰুৰী । সাম্প্ৰতিক বিশ্বৰ অতি বহৎ তথা শক্তিশালী দেশ আমেৰিকাৰ শাসক গোষ্ঠীয়ে সন্ত্ৰাসবাদক নিৰ্মূল কৰাৰ কথা ঘোষণা কৰিছিল । ভাবিলে সন্দেহ হয় প্ৰকৃতাৰ্থত তেওঁলোকে তেনে কৰিবলৈ সামগ্ৰিক প্ৰচেষ্টা চলাবনে ?

সন্ত্ৰাসবাদৰ ভয়ানক আঘাতত সম্প্ৰতি ভীষণভাৱে ক্ষতিগ্ৰস্ত হোৱা আমেৰিকাৰ শাসকগোষ্ঠীয়ে এই দুষ্কাৰ্যৰ বাবে লাডেনক দোষাৰোপ কৰিছে । তেওঁ মৌলবাদী নেতা আৰু সোঁপন্থী সন্ত্ৰাসবাদৰ প্ৰবক্তা । বিশ্বৰ তৈল মাতব্বৰবোৰে যি খোৱা-কামোৰা লগাই আছে সেই খোৱা-কামোৰাৰ ফলত সৃষ্টি হোৱা তিক্ততায়েই কৌটিপতি লাডেনক সন্ত্ৰাসবাদীলৈ পৰিণত কৰিছিল । লাডেনক আশ্ৰয় দি থকা আফগানিস্থানৰ "তালিবান" শাসকগোষ্ঠীৰ চৰিত্ৰ ঐতিহ্যমণ্ডিত বুদ্ধমূৰ্তি ধ্বংস কৰা অথবা মহিলাক বোৰ্খা পিন্ধিবলৈ বাধ্য কৰা আদিয়ে উদঙাই দিয়ে ।

আধুনিক যুগ পুঁজিবাদী বিকাশৰ দ্বাৰা সৃষ্ট । আনক দেখি ভেড়াৰ দৰে কৰা নকল, জাকজমক পোছাক, প্ৰসাধন, ৰূপসজ্জা আদিৰ সৈতে প্ৰকৃত আধুনিকতাৰ কোনো সম্পৰ্ক নাই । এইবোৰ মুখাহে, মুখ নহয় । এইবোৰ কাউৰীয়ে ম'ৰা চৰাইৰ পাখি গুজি ম'ৰা হ'ব খোজা মানসিকতাহে, আধুনিকতা নহয় । এইবোৰৰ পৰা আমাৰ মন হৈছে অৰ্থলোলুপ, নিষ্ঠুৰ আৰু নিৰ্দয় । যাৰ বাবে আজিৰ সন্ত্ৰাসবাদৰ সৃষ্টি হৈছে ।

সন্ত্ৰাসবাদ নিৰ্মূল কৰাৰ ওপৰত সাংবাদিকৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ । গণ মাধ্যম বুলি সাধাৰণতে ছপা আৰু ইলেকট্ৰ'নিক প্ৰচাৰ

মাধ্যমকে বুজায় । বৃহৎ চহৰৰ বহু মহলীয়া বিল্ডিঙৰ পৰা দূৰণিৰ গাঁৱৰ জুপুৰিলৈকে এতিয়া প্ৰচাৰ মাধ্যমৰ অবাধ গতি । তথাপিও দুখীয়া লোকসকলে আজিও সাংবাদিকৰ কেমেৰাৰ লেন্স ঢুকি নাপায়। উদাহৰণ স্বৰূপে আজি যদি অসমৰ সকলো কৃষক সংঘৰ প্ৰতিনিধিয়ে গুৱাহাটীত এখন প্ৰেছমেল আহ্বান কৰে তেওঁলোকৰ সমস্যাৰাজি ক'বলৈ, তাত দুজনমান সাংবাদিকো উপস্থিত থাকে নে নেথাকে সন্দেহ। গুৱাহাটীৰ ৰিক্সাৱালা-ঠেলাৱালা আদিৰ সভাত কেইজন সাংবাদিক উপস্থিত থাকে তাক সকলোৱে জানে । অৱশ্যে কেতিয়াবা যদি কৃষক, ঠেলাচালক, ৰিক্সাচালকে প্ৰধান আলিয়েদি শোভাযাত্ৰা বাহিৰ কৰে, তাৰ ফটো এখন কাকত ওলাব পাৰে । কিন্তু এইবোৰ বাতৰিয়ে শিৰোনাম দখল কৰিব নোৱাৰে। কিয় নোৱাৰে ? ইয়াৰ কাৰণে নিশ্চয় সাংবাদিক সকলে জানে । কিন্তু সন্ত্ৰাসবাদীসকলৰ ভয়ত এওঁলোকো বৰ্তমান নীৰৱে থাকে । বিষাক্ত খাদ্য মানুহে দুৰ্ভোগ ভোগাৰ খবৰ কাকতে নিদিয়া নহয়; কিন্তু মহন্ত-সংঘমিত্ৰাৰ বিয়াখনেহে অসমৰ সংবাদ জগতত তল-ওপৰ লগালে । দুবেলা দুসাঁজ খাবলৈ নোপোৱা মানুহৰ কথা কোনোবা সাংবাদিকে জানো মূৰ ঘমাইছে ? আজি অসমৰ বাতৰি কাকতবোৰৰ কাৰ্যালয়ত গ'লে দেখিব, চিনেমা-সাহিত্যৰ বাবে আছুতীয়াকৈ সাংবাদিক আছে; কিন্তু দুখীয়া খেতিয়কৰ শোচনীয় কৃষি ব্যৱস্থাৰ ৰিপোৰ্টিঙৰ বাবে সুকীয়া সাংবাদিক নাই । অথচ আৰ্থ-সামাজিক বুনিয়াদ নিৰ্মাণত কৃষকসকলৰ ভূমিকা কিমান গুৰুত্বপূৰ্ণ। গাঁও অঞ্চলত থকা দুৰ্বল খেতিয়কসকলৰ বিষয়ে মফচলীয়া সাংবাদিকসকলে সমাজত ডাঙি ধৰি তাৰ নিৰাময়ৰ বাবে চেষ্টা চলাব লাগে ।

সাধাৰণতে অন্ন-বস্ত্ৰ-বাসস্থানৰ অভাৱত সন্ত্ৰাসবাদৰ সৃষ্টি হয়। সেইবাবে চৰকাৰক সাংবাদিকসকলে প্ৰশ্ন কৰিব লাগে যে চৰকাৰে জনসাধাৰণক কিয় সুলভ মূল্যত খাদ্য শস্য দিব নোৱাৰে ? দিব নালাগিলহেঁতেন যদি চৰকাৰে দুখীয়াসকলক জীৱিকাৰ পথ নিৰ্মাণ কৰি দিলেহেঁতেন ; যদি চৰকাৰে জনসাধাৰণৰ অধিকাৰ আৰু নাগৰিকত্বক সন্মান কৰিলেহেঁতেন ; যদি বুজিলেহেঁতেন ৰাজহুৱা বিতৰণ ব্যৱস্থা কিমান গুৰুত্বপূৰ্ণ । সাংবাদিক সকলে বুজাই দিব লাগে যে আত্মসন্মান থকা ৰাইজে চৰকাৰৰ পৰা ন্যায়হে বিচাৰে, পুতৌ নিবিচাৰে। কিন্তু অনন্তপুৰৰ ঘটনাত তেলুগু সংবাদ মাধ্যমৰ ভূমিকা প্ৰশংসনীয় । ৰাষ্ট্ৰীয় সংবাদ মাধ্যমে ঘটনাবোৰ চাইছে ওপৰে ওপৰে। কিন্তু তেলুগু সাংবাদিকে সমস্যাটোৰ গুৰিত থকা নীতিৰ দিশটোও চালি-জাৰি চাইছে। অৱশ্যে উৰিষ্যা, বিহাৰ, অসম আৰু অন্ধ্ৰপ্ৰদেশৰ সমস্যাসমূহৰ ৰাষ্ট্ৰীয় কভাৰেজ ভালেই বুলিব পাৰি। সেইবোৰ কৰিছে ব্যক্তিগত সাংবাদিকে,ৰাষ্ট্ৰীয় প্ৰচাৰ মাধ্যমে কৰা নাই । পিছে, এনে ৰিপোৰ্টাৰক কোনেও ভাল চকুৰে নাচায় — চৰকাৰ, প্ৰচাৰ মাধ্যম কোনেও । তেওঁলোকক সাংবাদিক বুলি নকয়, কয় সংবাদকৰ্মী বুলিহে ।

১১ চেপ্তেম্বৰত আমেৰিকাৰ নিউয়ৰ্কৰ বিশ্ব বাণিজ্য কেন্দ্ৰ আৰু ৱাশিংটনৰ পেন্টাগনৰ ওপৰত সন্ত্ৰাসবাদীয়ে চলোৱা বিধ্বংসী আক্ৰমণৰ ঘটনাই আমেৰিকাৰ লগতে সমগ্ৰ বিশ্বকে সচকিত কৰি তোলে । বিশ্বৰ সমূহ ৰাষ্ট্ৰলৈ আমেৰিকাৰ আহ্বান — সন্ত্ৰাসবাদ এক আন্তৰ্জাতিক সমস্যা, ইয়াৰ বিৰুদ্ধে সকলো এক হওঁক । অথচ সন্ত্ৰাসবাদৰ জন্ম, প্ৰতিপালন আৰু পৰিবৰ্ধন কৰোঁতা ৰাষ্ট্ৰসমূহৰ তালিকাত আমেৰিকাৰ স্থান ওপৰত । এইবোৰ কথা সাংবাদিক সকলে জনসাধাৰণক ভালদৰে বুজাই দিয়া উচিত । তেওঁলোকে বুজাই দিয়া উচিত সন্ত্ৰাসবাদৰ ক্ৰিয়া-প্ৰতিক্ৰিয়াই সমগ্ৰ মানৱ জাতিকে ক্ষতি কৰে। গতিকে ইয়াক নিৰ্মূল কৰা উচিত ।

❑❑

# সাম্প্ৰতিক কালত অসমত জনজাগৰণৰ প্ৰাসংগিকতা

বশিষ্ঠ দেৱশৰ্মা
স্নাতক ৩য় বৰ্ষ (কলা)



অসম এখন জনবহুল, সমস্যাৰে জৰ্জৰিত ৰাজ্য । বৰ্তমান অৱস্থাত এই ৰাজ্যখনে নানান সমস্যা, ব্যাধিৰ যাতনা সহ্য কৰিবলগীয়া হৈছে । বিশ্বৰ নানান সমস্যা, দেশৰ নানান সমস্যাৰ লগতে ৰাজ্যখনত নিজাববীয়াকৈ নানা সমস্যাই গা কৰি উঠিছে । এই সমস্যাবোৰ আঁতৰাবৰ বাবে উপায় সীমিত হৈ পৰিছে । কাৰণ আমি জানো "অভাৱ সীমাহীন, কিন্তু অভাৱ পূৰণৰ উপাদান সীমিত । এই সীমিত উপাদানেৰে প্ৰয়োজন ভিত্তিত পৰ্যায়ক্ৰমে সমস্যা নাশ কৰাৰ প্ৰচেষ্টা হাতত ল'ব লাগিব । এনে কিছু সমস্যা পাৰ্থিৱ উপাদানেৰে সমাধান কৰিব নোৱাৰি । এইবোৰ পৰিস্থিতি বা পৰিৱেশ জাত । এই পৰিৱেশ বা পৰিস্থিতি জাত সমস্যাবোৰৰ সমাধানৰ বাবে প্ৰয়োজন মাথোঁ মানৱীয় একতা আৰু মনৰ দৃঢ়তাৰ । এনেদৰে কোনো সমস্যা দুৰীকৰণৰ বাবে জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে ঐক্যবদ্ধ হোৱাকে জনজাগৰণ বোলা হয় । জনজাগৰণ আৰু জনমত (Public opinion) প্ৰায় একেজাতীয় শব্দ । জনমত যেনেকৈ গণতন্ত্ৰৰ চতুৰ্থ স্তম্ভ, ঠিক তেনেদৰে ৰাষ্ট্ৰ এখনৰ উত্তৰোত্তৰ উন্নতিৰ বাবে জন-জাগৰণ নিত্যান্তই প্ৰয়োজন । উচিত্ অনুচিত্ গ্ৰহণীয়, বৰ্জনীয় বিচাৰ কৰিবৰ বাবে যেনেকৈ জনমতৰ দৰকাৰ, তেনেদৰে সমাজৰ কু-সংস্কাৰ পৰিত্যাগ, যৌতুক প্ৰথা পৰিত্যাগ, বৈজ্ঞানিক দৃষ্টিভংগী গ্ৰহণৰ বাবে জনজাগৰণৰ প্ৰয়োজন ।

আবেগিক জোখেৰে এখন ৰাষ্ট্ৰৰ লোকক তিনি শ্ৰেণীত বিভক্ত কৰা হয় । যি সকলে সমস্যা সমাধানৰ বাবে নম্ৰতা আৰু গণতান্ত্ৰিক পন্থা অৱলম্বন কৰে তেওঁলোক নৰমপন্থী, যিসকলে সশস্ত্ৰ বা উগ্ৰবাদ গ্ৰহণ কৰে তেওঁলোক চৰমপন্থী, যি সকলে প্ৰয়োজন আৰু পৰিৱেশ সাপেক্ষে কৰে তেওঁলোকক মধ্যম পন্থী বোলা হয়।

ওপৰত উল্লেখিত মধ্যম পন্থা আৰু চৰম পন্থা গণতন্ত্ৰৰ পৰিপন্থী। অৱশ্যে তেওঁলোকৰ পন্থাৰে জনগণক একত্ৰিত কৰাটোও এক জনজাগৰণ যদিওবা ই গ্ৰহণীয় নহয় ।

চৰাইৰ মাতত ৰাতি পুৱোৱা অসমত এতিয়া বন্দুকৰ শব্দত মূৰ আছন্ন্ৰাই কৰে । উগ্ৰবাদী-সন্ত্ৰাসবাদী কাৰ্য কলাপে পদাঘাত কৰিছে মানৱ অধিকাৰ, মৃত্যু হৈছে জীৱ শ্ৰেষ্ঠত্বৰ দাবী কৰা মানৱীয় গুণৰ । বিচ্ছিন্নতাবাদী মানোভাৱেৰেই হওঁক বা উগ্ৰ জাতীয়তাবাদেৰেই হওঁক কোনো শ্ৰেণীৰ বা গোষ্ঠীৰ সমস্যা সমাধান কৰিবলৈ যাওঁতে যাতে

নাগৰিকৰ মৌলিক অধিকাৰ খৰ্ব নহয় তাৰ প্ৰতি দৃষ্টি নৰখাৰ ফলত ৰাজ্যখনত সৃষ্টি হৈছে অৰাজকতাৰ ।

নিৰপেক্ষ দৃষ্টি ভংগীৰে, খোলা অন্তৰেৰে কলমৰ-আঁচোৰ বহুৱাবলৈ সম্প্ৰতি আতংকিত পৰিৱেশ অসম ৰাজ্যত । বাক স্বাধীনতা হেৰাই গ'ল, গণতন্ত্ৰৰ তৃতীয় স্তম্ভ সংবাদ পত্ৰও ভুত হবলগীয়া হৈছে প্ৰচাৰ কাৰ্যত । সেয়ে এইবোৰৰ অৱসান ঘটাবলৈ চৰকাৰ আৰু জনতা একত্ৰিত হৈ এই অপশক্তিবোৰৰ বিৰুদ্ধে মাৰ বান্ধিবৰ সময় ইতিমধ্যেই সমাগত। নহ'লে সামাজিক, অৰ্থনৈতিক, শৈক্ষিক, ৰাজনৈতিক আদি সকলো দিশতে ৰাজ্যখন অইন ৰাজ্যৰ তুলনাত বহু বছৰ পিছ পৰি থাকিব ।

ঐতিহাসিক দৃষ্টিভঙ্গীৰে মত পোষণ কৰিব পাৰি যে অতীতৰ অসমৰ জলন্ত সমস্যা সমাধান কৰিবলৈ একো একোটা বিৰাট জাগৰণৰ সৃষ্টি হৈছিল । যেনে — ভাষা আন্দোলন, মাধ্যম আন্দোলন, খাদ্য আন্দোলন, শোধানাগাৰ স্থাপনৰ আন্দোলনৰ সাফল্যৰ মূল কাৰণ আছিল জনতাৰ বিপুল সমৰ্থন ।

বৰ্তমান অসমৰ অৰ্থনৈতিক সংকট, ৰাজনৈতিক অস্থিৰতা, সামাজিক কলুষতা আঁতৰ কৰিবলৈ হ'লে এই অপশক্তিবোৰৰ বিৰুদ্ধে ৰাজ্যখনৰ জনগণক জাগৰিত কৰিব লাগিবই । ৰাজ্যখনৰ কেনেবোৰ দিশৰ বাবে জনজাগৰণৰ আৱশ্যকতা আহি পৰিছে তাক তলত সংক্ষেপে উল্লেখ কৰিবলৈ চেষ্টা কৰা হ'ল ।—

**(১) সন্ত্ৰাসবাদ-উগ্ৰবাদ নিৰ্মূলকৰণ ঃ** শেহতীয়াভাৱে অসমত দেখা দিয়া সন্ত্ৰাসবাদী কাৰ্য কলাপে ৰাজ্যখনৰ সামাজিক অৰ্থনৈতিক আৰু ৰাজনৈতিক দিশত অস্থিৰতাৰ সৃষ্টি কৰিছে । বিভিন্ন গোষ্ঠীগত, বিচ্ছিন্নতা বাদী মনোভাৱেৰে একাংশ যুৱক বিপথগামী হৈছে। এই সকলক পুনৰ উচিত পথলৈ ওভতাই আনিবৰ বাবে জনগণৰ সচেনতাৰ প্ৰয়োজন নিত্যান্তই আৱশ্যক । গণতান্ত্ৰিক আন্দোলনৰ পন্থাৰে বিশ্বৰ মাজত পৰিচিত হোৱা অসমীয়াৰ মাজত সশস্ত্ৰ পন্থাই শোভা নাপায় । ই গণতন্ত্ৰৰ পৰিপন্থী । সন্ত্ৰাসবাদী বা উগ্ৰবাদী সমস্যা আলোচনাৰ মাধ্যমেৰে সমাধান কৰিবলৈ জনগণে একে মুখে ধ্বনি দিব লাগে আৰু ৰাজ্যখনৰ সমস্যাবোৰৰ গণতান্ত্ৰিক গান্ধীবাদী আন্দোলনেৰে সমাধানৰ পথ প্ৰশস্ত কৰিব লাগিব।

**(২) পৰিয়াল পৰিকল্পনাৰ ৰূপায়ন ঃ** ১০০ কৌটিতকৈ বেছি জনবসতি থকা ভাৰত ৰাষ্ট্ৰৰ অন্যতম ৰাজ্য অসমৰ বৰ্তমান জনসংখ্যা প্ৰায় ২১/২ কোটি । দ্ৰুতগতিত বৃদ্ধি হোৱা জনসংখ্যাই দেশত অৰ্থনৈতিক সংকট, খাদ্যৰ নাটনি, জনমূৰি আয় হ্ৰাস, নিবনুৱা সমস্যাৰ সৃষ্টি কৰিছে। এই সমস্যাৰ সমাধান নকৰিলে অসমৰ জনজীৱনত ভৱিষ্যতে অন্ধকাৰ নামি আহিব।

**(৩) নিৰক্ষৰতা দূৰীকৰণ ঃ** নিৰক্ষৰতা এক সামাজিক ব্যাধি। ভাৰত চৰকাৰে নিৰক্ষৰতা দূৰীকৰণৰ বাবে আঁচনি গ্ৰহণ কৰিছে যদিও গণ সচেতনতাৰ অভাৱৰ বাবে আঁচনি সমূহ ফলপ্ৰসু হোৱা নাই । নিৰক্ষৰ লোকসকলৰ মাজতে বেছিকৈ অন্ধবিশ্বাস আৰু কু-সংস্কাৰ আদিয়ে ঠাই পায় । এই অন্ধবিশ্বাস আৰু কু-সংস্কাৰ সমূহে সমাজৰ অগ্ৰগতিত বাধাৰ সৃষ্টি কৰে । গতিকে সামাজিক নিৰক্ষৰতা নিৰ্মূল কৰাৰ অভিযান সফল কৰাৰ বাবে জনসাধাৰণক সচেতন কৰাটো নিত্যান্তই প্ৰয়োজনীয় ।

**(৪) নিবনুৱা সমস্যা সমাধানৰ বাবে জনজাগৰণ ঃ** অকল অসম নহয়, সমগ্ৰ ভাৰতবৰ্ষতে ভয়াবহ ৰূপ ধাৰণ কৰা নিবনুৱা সমস্যাই দেশৰ অৰাজকতাৰ মূল কাৰণ বুলি বিশিষ্ট ব্যক্তি সকলে ইতিমধ্যে মত পোষণ কৰিছে । বিশেষকৈ শিক্ষিত নিবনুৱা সমস্যাই সমাজত বিশেষ প্ৰভাৱ পেলাইছে । উপযুক্ত কৰ্মৰ অভাৱতেই হওঁক বা White colour job বিচাৰিয়েই হওঁক এই চাম যুৱকৰ হাৰাশাস্তি হৈছে । ইয়াৰ বাবে শিক্ষা ব্যৱস্থাৰ সংশোধনৰ প্ৰয়োজন আছে । মাধ্যমিক পৰ্যায়তে বৃত্তিমুখী শিক্ষা প্ৰদান কৰি ছাত্ৰ-ছাত্ৰীক বৃত্তিমুখী কৰিব নোৱাৰিলে শিক্ষিত নিবনুৱা সমস্যাই অন্যৰূপ লোৱাৰ আশংকাই বেছি। ইয়াৰ উপৰিও শিক্ষিত নিবনুৱাসকলক কৃষি, পশুপালন, মীন পালন, মৌ পালন ইত্যাদি বৃত্তিমূলক কৰ্মত নিয়োগ কৰিবলৈ কৰ্মপ্ৰেৰণাৰ বাবে এক কৃষি আন্দোলনৰ প্ৰয়োজন হৈছে।

**(৫) দেশ প্ৰেম আৰু জাতীয়তাবোধৰ সৃষ্টি ঃ** দেশ সেৱাৰ প্ৰতি জনগণক উদ্বুদ্ধ কৰি ঐক্য বৃদ্ধিৰ বাবে মনোনিবেশ কৰিব লাগে। প্ৰকৃত ভাৰতীয় মনোভাৱেৰে দেশৰ প্ৰতি কৰণীয় সকলো দায়িত্ব নতশিৰে পালন কৰি নিজৰ দেশখনক বিশ্বৰ বৰ মজিয়াত দক্ষ প্ৰতিপন্ন কৰিবলৈ প্ৰচেষ্টা হাতত ল'ব লাগে । কোনো বিচ্ছিন্নতাবাদী মনোভাৱ পোষণ নকৰি প্ৰথমতে "আমি ভাৰতীয়" দ্বিতীয়তে "আমি অসমীয়া" ভাৱ পোষণ কৰিব লাগিব । এই "আমি ভাৱে" ৰাজ্য তথা ৰাষ্ট্ৰৰ প্ৰগতিত প্ৰেৰণা যোগাব ।

**(৬) সামাজিক কু-সংস্কাৰ দূৰীকৰণ ঃ** অতীতৰে পৰা সমাজত নানান কু-সংস্কাৰে ঠাই পাই আহিছে, যিবোৰে ৰাজ্যৰ প্ৰগতিত বাধাৰ সৃষ্টি কৰি আছে । অসমত বৰ্তমানেও মাদক দ্ৰব্য, যৌতুক প্ৰথা, পৰ্দা প্ৰথাৰ প্ৰচলন হৈ আছে । অত্যাধিক মদ্যপান কৰাৰ ফলত বহুতে অসামাজিক কাম কাজত জড়িত হৈ পৰা আৰু আদালতত দোষী সাব্যস্ত হোৱা উদাহৰণ অসমত বিৰল নহয় । আনহাতে যৌতুক প্ৰথাৰ বাবে অসমীয়া বোৱাৰী বলি হোৱাৰ খবৰো সংবাদ পত্ৰই নিয়মিত ভাবে আমালৈ প্ৰেৰণ কৰিয়েই আছে । সেয়ে এনেবোৰ অপৰাধজনিত কাৰ্য কলাপৰ অৱসান ঘটাবলৈ সমাজ সচেতন হোৱা উচিত ।

**(৭) প্ৰদুষণ দূৰীকৰণৰ বাবে জন জাগৰণ ঃ** বায়ু, পানী আৰু শব্দ প্ৰদুষণৰ ফলত শংকিত হৈছে জনতা । অসমত শেহতীয়াভাৱে বৃদ্ধি হোৱা গাড়ী-মটৰৰ সংখ্যা, ক্ষুদ্ৰ উদ্যোগ প্ৰতিষ্ঠান, বিভিন্ন কাৰখানা, নলা-নৰ্দমা আদিয়ে প্ৰদুষণ বৃদ্ধি কৰিছে । ইয়াৰ বাহিৰেও প্লাষ্টিক,

পলিথিন আদিয়ে বৃদ্ধি কৰা মাটি প্ৰদূষণো উল্লেখযোগ্য । এনেবোৰ প্ৰদূষণ বন্ধ কৰিব পাৰিলেহে আমি উপযুক্ত পৰিৱেশ এটা গঢ় দিব পাৰিম ।

**(৮) সম্পদৰ ৰক্ষণাবেক্ষণ ঃ** অসমৰ প্ৰাকৃতিক সম্পদ ৰাজিৰ ৰক্ষণাবেক্ষণৰ দায়িত্বও জন সাধাৰণে ল'ব লাগিব । অসমৰ বনাঞ্চল, অসমৰ হাবিৰ চৰাই চিৰিকটি, জীৱ জন্তু আদিক ৰক্ষণাবেক্ষণ দিব লাগিব । ঠিক তেনেদৰে সামাজিক সাংস্কৃতিক সম্পদবোৰো আমি ৰক্ষণা-বেক্ষণ দিব লাগিব । "আজিৰ বৰ্তমান ভৱিষ্যতৰ অতীত সেয়ে বৰ্তমানক ভৱিষ্যতৰ বাবে ৰক্ষণাবেক্ষণ দিয়া উচিত" । এই সম্পদবোৰৰ মাজতেই থাকিব অসমীয়া জাতিৰ চিনাকী ।

**(৯) বৈজ্ঞানিক দৃষ্টিভঙ্গীৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে সজাগতা ঃ** সাগৰৰ ঢৌ গণনা কৰা, চন্দ্ৰলোক আহৰণ কৰা আৰু মুহূৰ্ততে পৃথিৱী এপাক মাৰিব পৰা বিজ্ঞানৰ যুগত অসমত এতিয়াও মাদুলি আৰু ভূত খেদাৰ মন্ত্ৰৰ প্ৰচলন কম নহয় । পাৱাৰ পাম্প, পাৱাৰটিলাৰ আদি আৱিষ্কাৰ হোৱাৰ সময়তো অতি পুৰণিকলীয়া কৃষি ব্যৱস্থাই ঠাই পাই আহিছে অসমত । অৱশ্যে শেহতীয়া ভাৱে কৃষি বিপ্লৱৰ সূচনা হৈছে অসমতো । আশা কৰিছোঁ এই জাগৰণে অসমক কৃষিৰ ক্ষেত্ৰত আগুৱাই নিব । সকলো ক্ষেত্ৰতে বৈজ্ঞানিক দৃষ্টিভঙ্গী আগত ৰাখি কাম-কাজৰ পদক্ষেপ গ্ৰহণ কৰিলেহে অসমো অইন ৰাজ্যৰ লগত ফেৰ মাৰিব পৰা হ'ব ।

**(১০) গণতান্ত্ৰিক শিক্ষা বিস্তাৰৰ বাবে জনজাগৰণ ঃ** গণতান্ত্ৰিক দেশৰ মানুহ শিক্ষিত হ'বই লাগিব । কিয়নো গণতন্ত্ৰত চৰকাৰৰ সদস্যসকল জনতাৰ প্ৰত্যক্ষ প্ৰতিনিধি । সেয়ে গণতন্ত্ৰৰ জনগণ সুশিক্ষিত নহ'লে তাক মূৰ্খৰ চৰকাৰ আখ্যা দিয়া হয় । আনহাতে গণতান্ত্ৰিক দেশৰ নাগৰিকক গণতান্ত্ৰিক দেশৰ লগত খাপ খোৱা শিক্ষা দিব লাগে । যাতে নাগৰিকে তেওঁলোকৰ অধিকাৰ আৰু দেশৰ প্ৰতি তেওঁলোকৰ কৰ্তব্যসমূহ বুজি উঠিব পাৰে ।

দেশৰ প্ৰায় অৰ্ধাংশ অশিক্ষিত নিৰক্ষৰ লোক থকা ভাৰতবৰ্ষ তথা অসম ৰাজ্যত শিক্ষা বিস্তাৰৰ বাবে বিশেষ ব্যৱস্থা হাতত লোৱাৰ লগতে জনজাগৰণ হ'ব মুখ্য পদক্ষেপ ।

**(১১) আঞ্চলিক সমস্যাৰ সমাধান ঃ** অসম ৰাজ্যৰ ভয়াবহ কিছুমান সমস্যা আছে, যিবোৰ ভাৰত চৰকাৰেহে সমাধান কৰিবলৈ সক্ষম হ'ব । বিদেশী সমস্যা , বানপানীৰ সমস্যা, উগ্ৰবাদী- সন্ত্ৰাস বাদী সমস্যা— এনেবোৰ সমস্যাই কঁপাই তুলিছে অসমৰ সামাজিক জীৱনৰ ভেটি । এই সমস্যাবোৰৰ সমাধানৰ বাবে কেন্দ্ৰীয় চৰকাৰক হেঁচা প্ৰদানৰ বাবে অসমীয়া ৰাইজে ঐক্যবদ্ধভাৱে থিয় হ'ব লাগিব ।


ওপৰোক্ত আলোচনাৰ উপৰিও আমাৰ নানান সমস্যা আঁতৰ কৰিবলৈ জনগণক উদ্বুদ্ধ কৰাৰ প্ৰসংগ নুই কৰিব নোৱাৰো । জনজাতীয় সমস্যা, ভাতৃঘাটী সংঘৰ্ষ, শেহতীয়াকৈ ৰাজ্যখনত বহুলভাৱে প্ৰযোজ্য হোৱা গুপ্তহত্যা আদিয়ে অসুস্থ সামাজিক পৰিৱেশৰ সৃষ্টি কৰিছে । যিসকলে নিৰ্বাচনৰ সময়ত মিছা প্ৰলোভনেৰে সৰ্ব সাধাৰণ ৰাইজক আভূৱা ভৰি গণতন্ত্ৰৰ প্ৰকৃত মৰ্যাদাৰ শ্মশান যাত্ৰা কৰিছে । এই নেতা-পালিনেতা সকলক ৰাজনৈতিক ভাৱে বিসৰ্জন দি গণতন্ত্ৰৰ প্ৰকৃত মান অটুত ৰাখিবলৈ ব্যৱস্থা হাতত ল'ব লাগে আৰু এইবোৰৰ সমাধান অকল চৰকাৰী আঁচনিৰে সম্ভৱ নহয় । জনগণৰ মাজত উদ্ভৱ হোৱা সকলো সমস্যা জনগণৰ মাজতে সমাধান হ'ব লাগিব ।

এই সকলোবোৰ সমস্যা সমাধানৰ ক্ষেত্ৰত ৰাইজৰ অৰ্থাৎ জনগণৰ ঐক্য, নিষ্ঠা, প্ৰচেষ্টা নিতান্তই আৱশ্যকীয় । তেতিয়াহে লক্ষ্মীনাথ বেজবৰুৱাৰ সৈতে আমি একে মুখে ক'ব পাৰিম —

বাজক ডবা
বাজক শংখ
বাজক মৃদংগ খোল,
অসম আকৌ উন্নতি পথত
জয় আই অসম বোল ।

□□

# প্ৰাণীজগতৰ অনন্য বিস্ময়



জগদীশ চন্দ্ৰ নাথ
স্নাতক ৩য় বৰ্ষ

"আপোনাৰ ব্যৱহাৰেই আপোনাৰ পৰিচয়" বাক্য শাৰী আজিকালি প্ৰায়ে বাছে-মটৰে লিখি থোৱা দেখা যায় । মানুহ এজোকনৰ ব্যৱহাৰ-পাতিৰ ওপৰত সহজে মন্তব্য দিয়া টান । তেনেই ঠাণ্ডা প্ৰকৃতিৰ মানুহ এজনো কেতিয়াবা খঙাল হৈ উঠে আৰু খঙাল মানুহো কেতিয়াবা ঠাণ্ডা প্ৰকৃতি দেখুৱাই নিজৰ স্বাৰ্থ সিদ্ধি কৰি লয়। মানুহৰ কৃত্ৰিমতাৰ শেষ নাই । চেহেৰাৰ প্ৰকৃতি চাই স্বভাৱ নিৰূপন কৰিব নোৱাৰি । কেৱল বুৰ্বক জনৰ মুখতহে তেওঁৰ ভাব প্ৰকাশ পায়। কিন্তু প্ৰাণীৰ স্বভাৱ চৰিত্ৰৰ কোনো লুক-ঢাক নাই । প্ৰাণী একোটাৰ চকুৰ চাৱনি, অংগ-প্ৰত্যংগৰ সঞ্চালন আদি চাই কি কৰিবলৈ ওলাইছে ধৰিব পাৰি ।

স্পেইনৰ কেইগৰাকী মান বিজ্ঞানীয়ে এবাৰ হাবিত কুকুৰনেচিয়া বাঘৰ আচৰণৰ ওপৰত পৰীক্ষা-নিৰীক্ষা কৰিছিল । বিভিন্ন পৰিস্থিতিত কুকুৰনেচিয়া বাঘে কাণ দুখন কেনেকৈ ৰাখে, নেজডাল কিমান ওপৰলৈ দাঙে, দাঁতকেইটা কেনেকৈ দেখুৱায় আদি কথাবোৰ তেওঁলোকে সুক্ষ্মভাৱে অধ্যয়ন কৰিছিল । অংগ-প্ৰত্যংগৰ বিভিন্ন ভঙ্গীৰে সিহঁতে কি ভাৱ প্ৰকাশ কৰিব খোজে সেই কথা তেওঁলোকে বুজিছিল । কুকুৰনেচিয়া বাঘ সাধাৰণতে জাকৰ মাজত থাকে । জাকত এজন দলপতি থাকে । আৰু দলপতিৰ স্থান বাকীবোৰতকৈ ওপৰত। দলপতিয়ে কৰা কিছুমান কাম-কাজ বাকীবোৰৰ ক্ষেত্ৰত নিষিদ্ধ । প্ৰাণী জগতৰ অনন্য বিস্ময়ৰ কথা কৈ শেষ কৰিব নোৱাৰি । প্ৰাণী জগতৰ এনে কিছুমান বিস্ময়কৰ প্ৰাণী আছে ভাৱিলেই অতি আচৰিত লাগে । এনে এবিধ নিজৰ আহাৰ ধুই খোৱা প্ৰাণী হ'ল "ৰাকুন" । এই বিধ প্ৰাণীয়ে খোৱা আহাৰ পানীত ধুই অৰ্থাৎ তিয়াইহে খায় । খোৱা বস্তু পালে যদি ধুবলৈ পানী নাপায় তেতিয়াহ'লে 'ৰাকুনে' সেই বস্তু নাখায়। 'ৰাকুন' এবিধ স্তন্যপায়ী প্ৰাণী । দেখিবলৈ মেকুৰীৰ দৰে । দেহটো ধোঁৱা বৰণৰ নোমেৰে আবৃত । নেজডালত ডাঠ বাদামী ৰঙৰ নোম থাকে। চকুকেইটা ক'লা আৰু ভৰিত শক্তিশালী নখ থাকে। 'ৰাকুন' ওখ-ডাঠ হাবিৰ পানী থকা ঠাইৰ ওচৰত বাস কৰে । ফল-মূল, মাছ ইহঁতৰ খাদ্য । দক্ষিণ আমেৰিকা, কানাডা আদিৰ বিভিন্ন পাহাৰুৱা ঠাইত ইয়াক পোৱা যায় । জানুৱাৰীৰ পৰা জুনলৈ ইহঁতে প্ৰজনন কৰে । প্ৰজননৰ তিনি মাহ পিছত পোৱালি দিয়ে । ইহঁতে শিলৰ তলৰ গাঁত, খোৰোং আদিত থাকি ভাল পায় ।

আন এবিধ আচৰিত জন্তু হ'ল 'বেজাৰ্ছ' । ই নিশাচৰ । ৰাতিৰ আন্ধাৰতহে চলা-ফুৰা কৰে । আনকি জোনৰ পোহৰতো সিহঁত গাঁতৰ পৰা নোলায় । বেজাৰ্ছৰ দেহ ভালুকৰ দৰে শকত আৰু । গাটো খহটা নোমেৰে আবৃত । মুখত বগা নোম থাকে । কাণ, চকু সৰু আৰু ইহঁতৰ ঘ্ৰাণ আৰু শ্ৰৱন শক্তি অতি প্ৰৱল । ইহঁতৰ নখবোৰ চোকা আৰু ইয়াৰ সহায়ত চিকাৰ কৰে আৰু ইহঁত সৰ্বভোজী । বসন্ত কালত মাইকী বেজাৰ্ছে পোৱালী জগায় । এবাৰত দুটা বা তিনিটা পোৱালী জন্ম দিয়ে। আচৰিত কথা হ'ল এই প্ৰাণীটোৱে নিজৰ পৰিয়ালৰ কাৰোবাৰ মৃত্যু হ'লে গাঁত খান্দি কবৰ দিয়ে । আৰু কবৰ স্থলী দুই-তিনি দিনলৈ পৰিয়ালৰ সকলো প্ৰাণীয়ে পহৰা দি ৰাখে। এই খিনিতে প্ৰাণীজগতৰ আটাইতকৈ বিপদজনক ক্ষুদ্ৰ প্ৰাণী এটাৰ বিষয়ে লিখিলোঁ। এই প্ৰাণী বিধ হ'ল "ছি ৱাম্প" বা 'সামুদ্ৰিক বৰল' । জেলি ফিছ


জাতীয় এই বিধ প্ৰাণী । এই প্ৰাণীৰ দেহত থকা শুঙৰ সামান্য ঘৰ্ষণ লাগিলেই কোনো প্ৰাণী পাঁচ মিনিটমানৰ ভিতৰতে মৃত্যু মুখত পৰে। এই শুঙ্‌বোৰ অতি ক্ষুদ্ৰ ক্ষুদ্ৰ কোষৰ দ্বাৰা গঠিত । এই শুংবোৰত বিষ থাকে । ইহঁত ঘণ্টাকৃতিৰ বৰ্ণহীন জীৱ । দেহৰ ৯০ শতাংশই পানী । এই শুং বোৰৰ সহায়ত ইহঁতে নিজৰ খাদ্য সংগ্ৰহ আৰু আত্মৰক্ষা কৰে। এই শুংবোৰৰ বিষ অতি যন্ত্ৰনাদায়ক । এই সামুদ্ৰিক বৱল বিধ উত্তৰ অষ্ট্ৰেলিয়াৰ ওচৰৰ সাগৰত পোৱা যায় ।

প্ৰাণীজগতৰ বিচিত্ৰ চৰিত্ৰৰ কথা কৈ শেষ কৰিব নোৱাৰাৰ কথা ইতিমধ্যে উল্লেখ কৰা হৈছে । আৰু এই লেখাৰ শেষত অন্য এটা আচৰিত চৰিত্ৰৰ প্ৰাণীৰ কথা উল্লেখ কৰিলোঁ । বিচিত্ৰ চৰিত্ৰৰ প্ৰাণীৰ ভিতৰত "স্লথ"ৰ নাম ল'বই লাগিব । পৃথিৱীৰ আটাইতকৈ এলেহুৱা প্ৰাণী বুলি কলে 'স্লথ'ৰ নাম ল'বই লাগিব । ই স্তন্যপায়ী প্ৰাণী । দিনৰ প্ৰায় সময়ত জিৰণী লয় । এই বিধ প্ৰাণী দিনৰ ১৮ ঘণ্টাতকৈ বেছি সময় গছত ওলমি থাকে । ইহঁতৰ ভৰিৰ নখবোৰ চোকা আৰু দীঘল হোৱা হেতুকে ওলমি থাকিবলৈ সুবিধা হয় । গছৰ ডালত ওলমি থাকি ভৰিৰে টুকি পোৱা গছৰ পাত আদিকে খায় । গছৰ ডালত বগাই বা কাষৰ ইটো-সিটো ডালত গৈ পাত-ফল আদি খাবলৈ এলাহ কৰে। এই প্ৰাণী বিধে বেছি লৰচৰ নকৰে বাবে কৰ্মশক্তি কমকৈ ক্ষয় হয় । সেই বাবে কম খাদ্যৰ প্ৰয়োজন হয় । এই প্ৰাণী বিধ দক্ষিণ আমেৰিকাৰ অতি ঘন হাবিবোৰত দেখা যায় । উল্লেখিত বিভিন্ন প্ৰাণীৰ বিচিত্ৰ স্বভাৱৰ লগত মানৱ জাতিৰ স্বভাৱৰ কিছু পাৰ্থক্য দেখা যায় । কৰণ মানুহে নিজ স্বাৰ্থ সিদ্ধিৰ বাবে বিভিন্ন সময়ত বিভিন্ন ও বিচিত্ৰ ৰূপ দেখুৱাব পাৰে।

## প্ৰসঙ্গ পুথি

- ☆ বিজ্ঞান সঁফুৰা ।
- ☆ নতুন আৱিষ্কাৰ ।
- ☆ বিজ্ঞান জেউতি ।

❑❑



# ফিবনাকী সংখ্যা ঃ এটি আলোচনা

দীপাঙ্কৰ শৰ্মা
প্ৰবক্তা, গণিত বিভাগ

"চাৰি চৈধ্য আৰু চাৰি
বাপু সকল বহিবা শাৰী
বাট এৰি দিয়া ঘৰক যাওঁ
আমাৰ স্বামীৰ সেইটো নাম ।"

"এজোপা শিমলুত নটা ঠাল
ঠালে প্ৰতি নটা নটা ডাল
ডালে প্ৰতি ন ন ফেঁচা
প্ৰতি ফেঁচাৰ ন ন ফেঁচী
ন ন ফেঁচীৰ ন ন কণী
কিমান পোৱালি কোৱা গণি ।"

ধেমালি বা কৌতুকৰ মাজেৰে এই ধৰণৰ মজাৰ হিচাপ আমাৰ কাইথেলি অংকত বহুতো পোৱা যায় । আধুনিক অংক শাস্ত্ৰৰ অকণো পোহৰ নোপোৱা তাহানিৰ গাঁৱলীয়া সমাজত সাঁথৰৰ মাজেৰে সহজ কথা এটাক ৰসাল কিন্তু দীঘলীয়া চিন্তাৰ বিষয় বস্তু হিচাপে উপস্থাপন কৰা অথবা বহু কঠিন হিচাপ একোটাকো যে সহজ চিত্ৰায়ণেৰে সাধাৰণ মানুহৰ মাজত আলোচিত হৈছিল সেয়া ভালদৰে গমপোৱা যায় কাইথেলি অংকৰ বিষয়ে অধ্যয়ন কৰিলে । কিন্তু অকল অসমতহে নে? নিশ্চয় নহয় । যিহেতু অংক বিষয়টো মানুহৰ সাধাৰণ জীৱন যাত্ৰাৰ প্ৰতিটো মুহূৰ্ততে গঁঠা আছে গতিকে নিঃসন্দেহে পৃথিৱীৰ বিভিন্ন প্ৰান্তত সমসাময়িক ভাবে গণিতৰ ক্ৰমাগত অগ্ৰগতি হৈ আহিছে । গণিতৰ বুৰঞ্জী অধ্যয়নৰ পৰা গম পোৱা যায় যে আমাৰ কাইথেলি অংকৰ নিচিনা গণিতৰ সাঁথৰ অন্য স্থানতো সৃষ্টি হৈছিল আৰু আজিও হৈ আছে ।

ঠিক তেনে সুৰতে গঁঠা এটি সাঁথৰ পোৱা যায় 'Liber Abaci'ত । গ্ৰন্থখনৰ লিখক ফিবনাকী (Fibonacci)। মধ্যযুগৰ মহান গণিতজ্ঞ পিছাৰ লিওনাৰ্ডে (Leonard, 1180-1250) ফিবনাকী নাম লৈ গণিতৰ বিভিন্ন গৱেষণামূলক তথ্য এই গ্ৰন্থখনিত প্ৰকাশ কৰিছিল । 'ফিবনাকী' শব্দৰ অৰ্থ 'বনাকীৰ পুত্ৰ' (Son of Bonacci) । লিওনাৰ্ডৰ পিতৃ আছিল পিছা নগৰীৰ এজন বিখ্যাত সদাগৰ । উত্তৰ আফ্ৰিকাৰ বিভিন্ন ঠাইত এজন শুল্ক বিষয়া হিচাপে কাৰ্যনিৰ্বাহ কৰা দেউতাকৰ লগত লিওনাৰ্ডেই ঘূৰি পকি বিভিন্ন ঠাইৰ অভিজ্ঞতা লাভ কৰিছিল । সৰুৰে পৰাই অংক বিষয়ৰ প্ৰতি আগ্ৰহী লিওনাৰ্ডে বিভিন্ন ঠাইত গণিতীয় আলোচনাত সদায় আগভাগ লৈছিল আৰু স্থানীয় জোখ মাখ পদ্ধতিৰ বিষয়ে জানিবলৈ চেষ্টা কৰিছিল ।

লিওনাৰ্ড ওৰফে ফিবনাকীৰ 'লিবাৰ এবাকী'ৰ সেই বিখ্যাত সাঁথৰটো এতিয়া আপোনালোকলৈ আগবঢ়ালো ।

আপোনাক এহাল শহা দিয়া হ'ল । ইহঁতে প্ৰতি মাহে এহালকৈ শহা পোৱালিৰ জন্ম দিয়ে । যদি জন্মৰ দ্বিতীয় মাহৰ পৰাই প্ৰতিহাল পোৱালিয়ে নতুন পোৱালি এহালকৈ জন্ম দিব পাৰে আৰু কোনো শহাৰে হৰণ ভগন নহয়, তেন্তে এবছৰ পাছত আপুনি কিমান শহাৰ গৰাকী হ'ব ? আৰম্ভণিতে আপোনাক দিয়া হ'ল এহাল শহা । প্ৰথম মাহত সেই এযোৰেই । প্ৰথম মাহৰ শেষত পুৰণিযোৰৰ লগতে সিহঁতে জন্ম দিয়া নতুন এযোৰ, মুঠতে দুহাল । দ্বিতীয় মাহৰ শেষত দুহাল পুৰণি আৰু প্ৰথম শহাহালে জন্ম দিয়া এহাল নতুন পোৱালি । মুঠতে তিনিহাল ।.............

এতিয়া আহক আমি এখন তালিকা প্ৰস্তুত কৰি আপোনাৰ সমস্যাটোৰ সমাধানটো উলিওৱাৰ চেষ্টা কৰোঁ ।

| পাৰ হোৱা মাহৰ সংখ্যা | পুৰণি শহা (হাল) | নতুন পোৱালি (হাল) | মুঠ শহা (হাল) |
|---|---|---|---|
| 1 | 1 | 1 | 2 |
| 2 | 2 | 1 | 3 |
| 3 | 3 | 2 | 5 |
| 4 | 5 | 3 | 8 |
| 5 | 8 | 5 | 13 |
| 6 | 13 | 8 | 21 |
| 7 | 21 | 13 | 34 |
| . | . | . | . |
| . | . | . | . |
| . | . | . | . |
| 12 | 233 | 144 | 377 |

তালিকাখন প্ৰস্তুত কৰোঁতে আমি মনত ৰাখিব লাগিব যে

প্ৰতি হাল নতুনকৈ জন্ম পোৱা পোৱালিয়ে জন্মৰ দ্বিতীয় মাহৰ পৰাহে পোৱালি দিব পৰা হয় ।এতিয়া হিচাবৰ পিছত দেখা গ'ল যে এবছৰ পিছত আপুনি 377 হালে শহাৰ গৰাকী হ'ল ।আপোনাৰ সমস্যাটোৰ সমাধান ইমানতে শেষ হ'ল ঠিকেই ।কিন্তু আপুনি মন কৰিছেনে যে আপোনাৰ প্ৰতি মাহৰ শহাৰ সংখ্যাই কিছুমান বৰ আকৰ্ষণীয় ধৰ্ম বহন কৰিছে । সেই বিশেষ ধৰ্ম বিলাকৰ বিষয়ে আলোচনা কৰিবলৈ আপোনাক দিয়া প্ৰথম শহাৰ সংখ্যা (হালত), প্ৰথম মাহত শহাৰ সংখ্যা (হাল) আৰু প্ৰতিমাহৰ শেষত আপোনাৰ ওচৰত জমা হোৱা শহাৰ সংখ্যা (হালত) বোৰ একাদিক্ৰমে লিখিলোৱা হ'ল —

1 1 2 3 5 8 13 21 34 55 89 144 .......

সংখ্যাৰ এই শৃংখলাটোৱেই বিখ্যাত ফিবনাকী শৃংখলা । শৃংখলাটোৰ সংখ্যাবিলাকক ফিবনাকী সংখ্যা বোলা হয় ।উল্লেখযোগ্য যে লিওনাৰ্ডে নিজে প্ৰস্তুত কৰা এটা প্ৰশ্নৰ সমাধান উলিয়াবলৈ গৈ সৃষ্টি হোৱা বহু আকৰ্ষণীয় গুনেৰে ভৰপূৰ এই শৃংখলাটোৰ ধৰ্ম বিলাকৰ বিষয়ে সেই সময়ত কিন্তু লিওনাৰ্ড নিজেই অজ্ঞাত আছিল ।শৃংখলাটোৰ সৃষ্টিৰ পিছত, ফিবনাকীৰ মৃত্যুৰ বহু বছৰ পিছলৈ ইয়াৰ বিষয়ে গণিতজ্ঞসকলে অধ্যয়ন কৰি আহিছে আৰু বহু গুৰুত্বপূৰ্ণ বৈশিষ্ট্য আৱিষ্কাৰ হৈছে ।

আমি গণিতৰ ভাষাত এই সংখ্যাৰ শৃংখলাটোক অনুক্ৰম বুলি ক'ব পাৰো ।ফলনৰ ধাৰণাৰে এই অনুক্ৰমটোক আমি এনেদৰে লিখিব পাৰোঁ স্বাভাৱিক সংখ্যাৰ সংহতিৰ পৰা স্বাভাৱিক সংখ্যাৰ সংহতিলৈ $\leftarrow f \rightarrow$ এটা ফলন বুলি ধৰিলে ফিবনাকী অনুক্ৰম (Fibonacci sequence) টো হ'ব

$$f : N \rightarrow N \text{ য'ত } f(n)=1,\ n=1,2$$
$$=f(n-1)+f(n-2),\ n>3$$

ইয়াত N স্বাভাৱিক সংখ্যাৰ সংহতি আৰু n যিকোনো এটা স্বাভাৱিক সংখ্যা ।

এতিয়া ফিবনাকী অনুক্ৰমটোৰ ধৰ্ম কেইটামানৰ বিষয়ে আমি লক্ষ্য কৰিম ।

ধৰ্ম 1ঃ প্ৰথম দুটা পদৰ বাহিৰে অনুক্ৰমটোৰ সকলো পদেই তাৰ আগৰ ক্ৰমিক পদ দুটাৰ সমষ্টিৰ সমান ।

যেনে : 3=2+1, 5=3+2, 8=5+3, ইত্যাদি ।

ধৰ্ম 2ঃ প্ৰথম পদ দুটাক বাদ দিলে অনুক্ৰমটোৰ ক্ৰমিক দুটা পদ পৰস্পৰ মৌলিক ।

যেনে : 2 আৰু 3, 5 আৰু 8, 13 আৰু 21 ইত্যাদি ।

ধৰ্ম 3ঃ mn তম পদটো, m তম আৰু n তম পদ দুটাৰে বিভাজ্য । যেনেঃ 3×4=12 তম পদটো (144), তৃতীয় পদ (2) আৰু চতুৰ্থ পদ (3) ৰে বিভাজ্য ।

ধৰ্ম 4 ঃ অনুক্ৰমটোৰ যিকোনো দুটা পদৰ গঃসাঃগুঃ (H.C.F.) অনুক্ৰমটোৰ ভিতৰৰে এটা পদ হ'ব ।

যেনে ঃ21 আৰু 89 ৰ গঃসাঃগুঃ 3 অনুক্ৰমটোতে আছে।

ধৰ্ম 5ঃ m তম পদটো n তম পদেৰে বিভাজ্য হ'ব যদিহে m ক n ৰে ভাগ কৰিব পাৰি ।

যেনেঃ 12 ক 6 ৰে ভাগ কৰিব পাৰি ।গতিকে 12 তম পদটোক ( 144), 6 তম পদ ( 8) ৰে ভাগ কৰিব পৰা যাব ।

ধৰ্ম 6ঃ অনুক্ৰমটোৰ যিকোনো এটা পদক আন যিকোনো এটা পদেৰে ভাগ কৰি পোৱা ভাগশেষটোও অনুক্ৰমটোৰে এটা সংখ্যা হ'ব ।

ধৰ্ম 7ঃ শৃংখলাটোৰ প্ৰথম n টা পদৰ যোগফল = ( n+2) তম পদ - 1.

ধৰ্ম 8ঃ অনুক্ৰমটোৰ প্ৰথম n টা পদৰ বৰ্গৰ যোগফল = n তম পদ আৰু (n+1) তম পদৰ পূৰণফল ।

ধৰ্ম 9ঃ শৃংখলাটোৰ প্ৰতি তৃতীয়টো সংখ্যা 2 ৰ গুণিতক, প্ৰতি চতুৰ্থটো সংখ্যা 3 ৰ গুণিতক আৰু প্ৰতি পঞ্চমটো সংখ্যা 5ৰ গুণিতক।

ধৰ্ম10ঃ যিকোনো তিনিটা ক্ৰমিক পদৰ ডাঙৰ দুটাৰ ঘনৰ যোগফলৰ পৰা সৰুটোৰ ঘন বিয়োগ কৰিলে যি সংখ্যা পোৱা যায়, সি অনুক্ৰমটোৰে এটা সংখ্যা হ'ব ।

ধৰ্ম 11ঃ n যিকোনো স্বাভাৱিক সংখ্যা হ'লে অনুক্ৰমটোৰ n তম পদ

$$=\frac{1}{\sqrt{5}}\left[\left(\frac{1+\sqrt{5}}{2}\right)^n - \left(\frac{1-\sqrt{5}}{2}\right)^n\right]$$

ইয়াক চিনেটৰ সূত্ৰ বোলা হয় । n=1 হ'লে প্ৰথম পদ = 1 পদ ইত্যাদি ।

ধৰ্ম 12ঃ n>1 হ'লে

$$\left(\frac{1+\sqrt{5}}{2}\right)^{n-1} < (n+1) \text{ তম পদ} < \left(\frac{1+\sqrt{5}}{2}\right)^n$$

ধৰ্ম13ঃ ফিবনাকী অনুক্ৰমৰ ক্ৰমিক পদবোৰৰ অনুপাতেৰে গঠিত অনুক্ৰমটোৰ সীমা প্ৰাচীন গ্ৰীকসকলে আৱিস্কাৰ কৰা "সোনালী অনুপাতৰ" সমান ।

অৰ্থাৎ $n \rightarrow D$ হ'লে $\frac{Un+1}{Un} \rightarrow 1.61803=\frac{1+\sqrt{5}}{2}$

যাক সোনালী অনুপাত বুলি কোৱা হয় ।

এটা নিৰ্দিষ্ট পদৰ পিছৰ প্ৰতিটো পদ তাৰ আগৰ সুনিৰ্দিষ্ট পদৰ ৰৈখিক জোঁট (Linear combination) হিচাবে প্ৰকাশ কৰিব